সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১১ সংখ্যা, ২৮ ফাগুন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 11 * Date Of Publication - 13 March 2022 Rs.10.00/-

## দেশৰ ১৭খন ৰাজ্য আৰু এক কেন্দ্ৰীয়শাসিত অঞ্চলত বিজেপিৰ শাসন

ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিয়ে নতুনকৈ ঘোষিত বিধানসভা নিৰ্বাচনত উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, গোৱা আৰু মণিপুৰত বিজেপি নেতৃত্বাধীন এন ডি এ পুনৰ গাদী দখল কৰিবলৈ সক্ষম হোৱাত সম্প্ৰতি দেশৰ মুঠ জনসংখ্যাৰ ৪৯ শতাংশক শাসন কৰাৰ সুযোগ পাইছে। তদুপৰি দেশৰ ভূখণ্ডৰ ৪৪ শতাংশ অঞ্চল বিজেপি নেতৃত্বাধীন এন ডি এৰ শাসনৰ অধীনত আছে। ২০১৩ চনৰ ছেপ্টেম্বৰত গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিজেপিয়ে ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ পূৰ্বে দেশত মাত্ৰ মুঠ জনসংখ্যাৰ ২১.৬ শতাংশক



শাসনৰ সুযোগ পাইছিল। ২০১৪ চনত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিয়ে অভাৱনীয় সফলতা লাভ কৰাৰ লগতে কেন্দ্ৰত চৰকাৰ গঠন কৰে আৰু প্ৰধানমন্ত্ৰীৰ পদ শুৱনি কৰে নৰেন্দ্ৰ মোদীয়ে। ২০১৪ চনৰ লোকসভাত নৰেন্দ্ৰ মোদীৰ যাদুৱে দেশৰ সৰ্বস্তৰৰ লোকক স্পৰ্শ কৰাৰ ধাৰা এতিয়ালৈকে অব্যাহত আছে। অৱশ্যে পৰৱৰ্তী সময়ত মোদীৰ যাদুৰ উত্থান-পতন হ'লেও নতুনকৈ ঘোষিত ৫ ৰাজ্যৰ ভিতৰত ৪ ৰাজ্যত মোদীৰ ঢৌ অব্যাহত থকাৰ স্পষ্ট প্ৰমাণ প্ৰতিফলিত হ'ল। ৪ ৰাজ্যত বিজেপিয়ে পুনৰ শাসনৰ গাদীত অধিষ্ঠিত হোৱাত সম্প্ৰতি দেশত ১৭খন ৰাজ্য আৰু এক কেন্দ্ৰীয়শাসিত অঞ্চলত বিজেপি

( তিনিপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

## মেট্ৰিক পৰীক্ষা

আকাশে বতাহে নিৰ্বাচনী বাৰ উখল মাখল পৰিবেশৰ মাজতে সময়ে আগজাননী দিছে হাইস্কুল আৰু হাইমাদ্ৰাছা পৰীক্ষাৰ। কিন্তু এনে পৰীক্ষাৰ বতৰত ছাত্ৰ-ছাত্ৰী সকল চিন্তিত হৈ পৰিছে এবছৰ পুৰণি প্ৰশ্নকাকতেৰে পৰীক্ষা সম্পন্ন কৰাৰ কথাক লৈ। অৰ্থাৎ এইবাৰ পৰীক্ষা ২০২১চনৰ প্ৰশ্নকাকত আৰু উত্তৰবহীৰেই অনুষ্ঠিত হ'ব। এই কথাক লৈ পৰীক্ষাৰ্থী, অভিভাৱক সকলো এতিয়া চিন্তিত। কিন্তু এই চিন্তাৰ ওৰ পেলাই আমাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে সকলো পৰীক্ষাৰ্থী আৰু অভিভাৱক সকলক উদ্দেশ্যি উদ্বিগ্ন হোৱাৰ প্ৰয়োজন নাই বুলি কৈছে। এই সিদ্ধান্ত লোৱা হৈছে কেৱল ধনৰ অপব্যয় যাতে নহয় সেইবাবেহে। এই প্ৰশ্নকাকতসমূহ ফালি পেলোৱা মানে কোটি কোটি টকাৰ সৰাধ পতাৰ। সেইবাবে ছেবাৰ এই সিদ্ধান্তক মুখ্যমন্ত্ৰী গৰাকীয়ে আদৰণিহে জনাইছে। এইখিনিতে এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে ফ্ৰম ফিলাপৰ নামত লোৱা ধনৰ মাজত কিন্তু প্ৰশ্নকাকত আৰু উত্তৰ বহীৰ বাবত লোৱা পইছাও সোমাই আছে।উক্ত ধনৰ পৰিমাণখিনি বাৰু অভিভাৱক সকলে ঘূৰাই পাবনে, চৰকাৰৰ গৃহত জমা হ'ব? যোৱা বছৰ অতিমাৰীয়ে পৰীক্ষা পতাৰ অনুকূল পৰিবেশ নিদিয়াৰ বাবে যেনে প্ৰশ্নকাকত তেনেই আছে বুলি ছেবাই ঘোষণা কৰিছে।তদুপৰি পাঠ্যক্ৰমক লৈ পৰীক্ষাৰ্থী সকলৰ মাজত যি চিন্তাৰ প্ৰশ্ন উঠিছে সেয়াক লৈ যাতে পৰীক্ষাৰ্থী সকল বিমোৰত নপৰে তাৰ বাবে ছেবাই নিশ্চয় দায়িত্ব ল'ব বুলি সকলোৱে বিশ্বাস। আনহাতে এই সিদ্ধান্তক লৈ তীব্ৰ বিৰোধিতা জনাইছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে। শেষত ৪, ২১, ৫৭৮গৰাকী মেট্ৰিক পৰীক্ষাৰ্থী আৰু ১১,৩০৬ গৰাকী হাইমাদ্ৰাছা পৰীক্ষাৰ্থীক তেওঁলোকৰ জীৱনৰ প্ৰথম ডাঙৰ পৰীক্ষাটোৰ বাবে ৰঙীলি বাৰ্ত্তাৰ ফালৰ পৰা সকলোকলৈকে শুভেচ্ছা জনালো।

## ৮০খন পৌৰসভাৰ ৭৮খনেই এতিয়া বিজেপি মিত্ৰজোঁটৰ দখললৈ আহিলঃ জয়ন্ত মল্ল বৰুৱা

ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপিৰ ছুনামিত পৌৰসভা নিৰ্বাচনত থানবান হৈ পৰা কংগ্ৰেছে নাৰায়ণপুৰ পৌৰসভাত ৫খন আসন দখল কৰিবলৈ সক্ষম হৈছিল। কিন্তু নিৰ্বাচনৰ ফলাফলৰ দুদিনৰ ভিতৰতেই নাৰায়ণপুৰ পৌৰসভাও বিজেপিৰ দখললৈ গ'ল। আনুষ্ঠানিকভাৱে নাৰায়ণপুৰ পৌৰসভাত জয়লাভ কৰা কংগ্ৰেছৰ দুই প্ৰাৰ্থী ক্ৰমে মায়া চন্দক আৰু পল্লৱী হাজৰিকা বণিয়াই বিজেপিত যোগদান কৰে। কংগ্ৰেছৰ এই দুজন প্ৰাৰ্থীৰ লগতে দুই নিৰ্দলীয় প্ৰাৰ্থী হৰিশ চন্দ্ৰক আৰু জয়ামাই দেউৰীয়েও আজি বিজেপিত যোগদান কৰে। ইয়াৰ ফলত নাৰায়ণপুৰ পৌৰসভাত



বিজেপি সদস্যৰ সংখ্যা সাতজনলৈ বৃদ্ধি পালে আৰু কংগ্ৰেছৰ আসনৰ সংখ্যা তিনিখনলৈ হ্ৰাস পালে। হেঙেৰাবাৰীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰনাথ শৰ্মা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মা, পুলক গোহাঁইৰ উপস্থিতিত কংগ্ৰেছৰ দুই প্ৰাৰ্থী আৰু নিৰ্দলীয় দুই প্ৰাৰ্থীয়ে আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। উল্লেখ্য যে বিজেপিৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত

( তিনিপৃষ্ঠাত চাওক)

## মিতালী ৰাজৰ বিশ্বকাপ অধিকখেলত অধিনায়কত্ব কৰাৰ বিশ্ব অভিলেখ ভংগ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ মহিলা অধিনায়ক মিতালী ৰাজে অধিক মহিলা বিশ্বকাপ খেলত অধিনায়কত্ব কৰাৰ বিশ্ব অভিলেখ ভংগ কৰিছে। চলিত ভাৰত-ৱেষ্ট ইণ্ডিজৰ ২০২২ চনৰ মহিলা বিশ্বকাপৰ খেলখন মহিলা বিশ্বকাপৰ ইতিহাসত অধিনায়ক হিচাপে মিতালীৰ ২৪ তম খেল। তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰাক্তন মহিলা অধিনায়ক বেলিণ্ডা ক্লাৰ্কক অতিক্ৰম কৰিছিল, যি ২৩ খন মেচত অধিনায়কত্ব কৰিছিল।

# জৰ্ডানৰ আমানত চিত্ৰ প্ৰদৰ্শনী, অসমৰ শিল্পী অংশগ্ৰহণ



ৰঙিলী বাৰ্ত্তাসেৱা- জৰ্ডানৰ আমানত ৫ মাৰ্চৰ পৰা আৰম্ভ হৈছে এখন চিত্ৰ প্ৰদৰ্শনী । উল্লেখযোগ্য যে আমান মিউনিচিপেলিটি আৰু ভাৰতৰ এছ্ এম্ ডি আৰ্ট ফাউণ্ডেচন পৃষ্ঠপোষকতাত 'ৰছ - এ- লাইন' আৰ্ট গেলাৰীত অনুষ্ঠিত এই শিল্প প্ৰদৰ্শনীখন উদ্বোধন কৰে ভাৰতৰ ৰাষ্ট্ৰদূত মিষ্টাৰ আনোৱাৰ হালিমে। অসমকে ধৰি ভাৰতৰ কেইবাজনো শিল্পীৰ লগতে জাপান, জৰ্ডান, ইউএছএ, কানাডা, আলবেনিয়া, টাইৱান, পেলেষ্টাইন আদি কেইবাখনো দেশৰ চিত্ৰশিল্পীয়ে ইয়াত অংশগ্ৰহণ কৰে । উক্ত প্ৰদৰ্শনীখনৰ উদ্বোধনী অনুষ্ঠানত জৰ্ডান চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মুখ্য বিষয়া সকলৰ লগতে আমান সাংস্কৃতিক কেন্দ্ৰৰ মুখ্য প্ৰবন্ধক তথা কলাসমালোচক গৰাকীয়ো উপস্থিত থাকে। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভ হোৱা সভাত ৰাষ্ট্ৰদূত আনোৱাৰ হালিমে এছ্ এম্ আৰ্ট ফাউণ্ডেচনৰ সভানেত্ৰী জৰ্ডানৰ জেনেৰিতা আমৰতি আৰু প্ৰতিষ্ঠাপক মিন্টু ডেকাক ধন্যবাদ জনোৱাৰ লগতে উক্ত প্ৰদৰ্শনীখনত অংশগ্ৰহণ কৰা সকলো শিল্পীকে তেওঁৰ সুললিত ভাষণেৰে উৎসাহিত কৰে । এই আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীখনত অসমৰ হৈ উপস্থিত থকাৰ লগতে অংশগ্ৰহণ কৰে মিন্টু ডেকা, মুকুল দুৰৰা আৰু দেৱব্ৰত মহন্তই । ইয়াত প্ৰদৰ্শিত হয় অসমৰ আন এজন শিল্পী জোনমণি বৰাৰো ছবিৰ প্ৰিণ্ট । মিন্টু ডেকাৰ ইন্সটলেশ্বন কলাৰ লগতে মুকুল দুৰৰা আৰু দেৱব্ৰত মহন্তৰ শিল্পকলাইয়ো চিত্ৰ অনুৰাগী সকলৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে।

# গুৱাহাটীত এদিনীয়া আত্মৰক্ষা কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- এলুমিনি এছ'চিয়েচন অৱ গুৱাহাটী গ্ৰুপ হেডকোৱাৰ্টাৰ এনচিচিয়ে কিউকিচাই কাৰাটে একডেমীৰ সহযোগত গুৱাহাটীৰ গুৰু নানক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত এদিনীয়া আত্মৰক্ষা কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে গুৰু নানক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সমন্বয়ক শুভ্ৰাংশু চক্ৰৱৰ্তী, প্ৰথম অসম বিএন এনচিচিৰ কৰ্ণেল দাদৱাল, ছাউথ পইণ্ট স্কুলৰ প্ৰাক্তন এএনঅ' কৰবী গোস্বামী, পিআই ষ্টাফ ৩০ বিএন এনচিচিৰ লেফটেনেণ্ট সৈতেন্দ্ৰ কুমাৰ সিং, পিআই ষ্টাফ ৬০ অসম গাৰ্লছ বিএনএনচিচিৰ চুবেদাৰ টি বি থাপা আৰু হাৱালদাৰ ছাংগা, ৪৮ অসম নেভেল ইউনিট এনচিচিৰ হাৰফুল সিং। ইপিনে, এই এদিনীয়া আত্মৰক্ষা কৰ্মশালাত অম্বিকা দত্ত, ইলিয়াছ আহমেদ আৰু অভিষেক ঠাকুৰে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত কৰবী গোস্বামীয়ে কয়- আমাৰ কেডেটসকলে কেনেদৰে আত্মসুৰক্ষা দিব পাৰে, তাকে এই অনুষ্ঠানৰ জৰিয়তে দেখুওৱা হৈছে। লগতে এই অনুষ্ঠানৰ জৰিয়তে কেডেটসকলক অনুপ্ৰাণিত কৰা হৈছে। অনুষ্ঠানটোত এলুমনি এছ'চিয়েচনৰ মুখ্য উপদেষ্টা দণ্ডপাণি গৌড়, সভাপতি দীপক ছেত্ৰী, সাধাৰণ সম্পাদক কৰুণা সিংহা, কোষাধ্যক্ষা গীতাঞ্জলী ৰয়, প্ৰশাসক চামিম আলম হক উপস্থিত থকাৰ লগতে অন্যান্য বিষয়ববীয়াই অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই এদিনীয়া আত্মৰক্ষা কৰ্মশালাত শতাধিক কেডেটে অংশগ্ৰহণ কৰে।

# বেছামাৰী আঞ্চলিক যুৱ সংঘৰ 'অসম চক্ৰ' বঁটা প্ৰাপক হিবজুৰ ৰহমানলৈ বিশেষ সম্বৰ্দ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও জিলাৰ ধিংৰ বেছামাৰীত এখনি সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। সত্ৰনগৰী মাজুলীৰ পৰা প্ৰকাশিত সাপ্তাহিক বাতৰি কাকত 'অসম বাৰ্তা' গোষ্ঠীয়ে তেওঁলোকৰ এই বছৰৰ দ্বিতীয় বৰ্ষপূৰ্তিত, যোৰহাট মুক্তি যুঁজাৰু ভৱনত, দক্ষিণ পাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী ননি গোপাল গোস্বামীৰ উপস্থিতত, চলিত বছৰৰ ২৭ ফেব্ৰুৱাৰীত, সামাজিক সেৱাৰ বাবে বেছামাৰী গাওঁ পঞ্চায়তৰ সভাপতি হিবজুৰ ৰহমানক অসম চক্ৰ বঁটাৰে সন্মানিত কৰিছিল। বৃহত্তৰ বেছামাৰীৰ অঞ্চলৰ গৌৰৱ হিবজুৰ ৰহমানক, বেছামাৰী আঞ্চলিক যুৱ সংঘৰ উদ্যোগত, বেছামাৰী আঞ্চলিক খেলপথাৰত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা অনুষ্ঠানত, বেছামাৰী আঞ্চলিক যুৱ সংঘ আৰু বেছামাৰী প্ৰেছ ক্লাবৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনে বিশেষ বাবে সম্বৰ্দ্ধনা জনায়। কেইবা সহস্ৰাধিক ৰাইজৰ উপস্থিত এই সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰে, মৌলানা আব্দুল লতিফে, আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আচান বাদালে। বিশিষ্ট সাংবাদিক পুলিন কাকতি, শিক্ষক সমাজ, অঞ্চলটোৰ গণ্য-মান্য ব্যক্তি আদি আজিৰ এই সম্বৰ্দ্ধনা সভাত উপস্থিত থাকি সমাজ সেৱক তথা স্থানীয় পঞ্চায়তৰ সভাপতি হিবজুৰ ৰহমানৰ এই 'অসম চক্ৰ' বঁটা প্ৰাপ্তৰ বাবে গৌৰৱবোধ কৰে।

# 'সাদৰী কন্যা' আশ্ৰমত সামগ্ৰী বিতৰণ, ৰমিছা বেগমক সম্বৰ্ধনা




ৰঙিলী বাৰ্ত্তাসেৱা- আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে 'সাদৰী কন্যা' আশ্ৰমত লেখিকা ৰমিছা বেগমে আৱাসিকৰ কণ কণ শিশুৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰে। তাৰ পাছতে আৱাসী কৰ্তৃপক্ষই ৰমিছা বেগমক বিশেষভাৱে সম্বৰ্ধনা জনায়। কণ কণ কন্যা শিশুক মাতৃৰ স্নেহেৰে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে অভিনন্দন জনোৱাৰ লগতে নাৰী দিৱসৰ তাৎপৰ্য সন্দৰ্ভত বেগমে ব্যাখ্যা কৰে। লগতে শিশুসকলৰ কাৰণে কেক, চকলেট, উকমা বিতৰণ কৰি সন্তুষ্টি প্ৰকাশ কৰে। অনুষ্ঠানটোত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত অভিযন্তা ইছফাকৰ ৰহমান বৰবৰা, সমাজসেৱী আবিদা ভূঞা আদি।

# গুৱাহাটী প্ৰেছ ক্লাবত দোতাৰাৰ 'শক্তি' শীৰ্ষক অনুষ্ঠান

ৰঙিলী বাৰ্ত্তাসেৱা- দোতাৰা সাংস্কৃতিক সমাজৰ উদ্যোগত মঙলবাৰে বিশ্ব নাৰী দিৱস উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাবত 'শক্তি' শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া মাধুৰিমা বৰুৱা সেন, বিশিষ্ট লেখক শান্তনু ঠাকুৰ, সত্ৰীয়া নৃত্যগুৰু ড° মল্লিকা কন্দলিয়ে নাৰী সন্দৰ্ভত বিভিন্ন দিশত আলোকপাত কৰে। সংস্থাৰ সভাপতি কুনাল ভট্টাচাৰ্যই আদৰণি ভাষণ দিয়া অনুষ্ঠানত সাংবাদিক নবনিতা কলিতা, সমাজকৰ্মী ৰুণা লাইলা, সংস্কৃতিকৰ্মী মীৰা শৰ্মা, কণ্ঠশিল্পী কল্যাণী ঠাকুৰীয়াক সম্বৰ্ধনা জনোৱা হয়। শিল্পী হুমায়ুন চৌধুৰী, সঞ্চিতা গাংগুলী, ধীৰাজ ডেকাই কবিতা পাঠ কৰে।সাধাৰণ সম্পাদক পাৰ্বতী ভট্টাচাৰ্যই শলাগৰ শৰাই আগবঢ়ায়।

# গৃহকৰ্মীৰ সামাজিক সুৰক্ষা আইন প্ৰণয়নৰ দাবীত প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- গৃহকৰ্মী অধিকাৰ সুৰক্ষা সমিতিয়ে গৃহকৰ্মীসকলৰ সামাজিক সুৰক্ষা আইন প্ৰণয়নৰ দাবীত গুৱাহাটী ৰ'টাৰী ক্লাবত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। কাৰ্যসূচীত গৃহকৰ্মীসকলৰ প্যঁনতম মজুৰি প্ৰতিঘন্টাত ৭৫ টকালৈ বৃদ্ধি কৰা, ৬০ বছৰৰ উৰ্ধৰ গৃহকৰ্মীক প্ৰতিমাহে পেঞ্চনৰ ব্যৱস্থা কৰা, সন্তানৰ শিক্ষাবৃত্তি নিশ্চিত কৰা, চিকিৎসা সাহায্য প্ৰদান কৰা, গৰ্ভৱতী শ্ৰমিকক গৰ্ভকালীন ভাট্টা প্ৰদান কৰা, জীৱনকালীন, বিপদকালীন তথা মৃত্যুত বীমা প্ৰদান কৰা, সপ্তাহত এদিন মজুৰিসহ ছুটী নিশ্চিত কৰা, লকডাউনৰ ক্ষতিপূৰণ হিচাপে প্ৰতিগৰাকী গৃহকৰ্মীক ৰলাখ টকা প্ৰদান কৰাৰ দাবী জনায়। প্ৰতিবাদৰ জৰিয়তে সংগঠনটোৱে অসম চৰকাৰক শীঘ্ৰে গৃহকৰ্মীৰ সামাজিক সুৰক্ষা আইন প্ৰণয়ন কৰিবলৈ দাবী জনাই উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৰ কামৰূপ মহানগৰ জিলা কমিটীৰ সভাপতি মইনা দাস, সম্পাদক সুমিত্ৰা পাঁচোৱান, ৰাজ্যিক আহ্বায়ক মেহজেবিন ৰহমান, পূজা নিৰালা, ভাস্কৰ কলিতাই কয়- যুগ যুগ ধৰি, অপৰ্যাপ্ত মজুৰি অভাৱ-অনাটনৰ মাজেৰে গৃহকৰ্মী তথা গৃহকৰ পৰিয়ালসমূহে এক শোষিত জীৱন কটাই আহিছে। কিন্তু অসম চৰকাৰক বাৰে বাৰে অৱগত কৰি থকা সত্বেও অসম চৰকাৰৰ সদিচ্ছা দেখিবলৈ পোৱা নাই। ইয়াৰ দ্বাৰা চৰকাৰখনৰ শ্ৰমিক বিৰোধী স্বৰূপ ওলাই পৰিছে।আনফালে, কৰ'নাৰ প্ৰকোপ আৰু লকডাউনে গৃহকৰ্মীসকলৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। বহু শ্ৰমিকে কাম হেৰুৱাবলগীয়া হৈছে। বহু সংখ্যকে অতি নিম্ন মজুৰিত কাম কৰিবলৈ বাধ্য হৈছে। আৰ্থিক দুৰৱস্থাই গৃহকৰ্মীৰ সন্তানসকলক প্ৰাপ্য শিক্ষাৰ পৰা বঞ্চিত কৰিছে। কোনোবাই দুৰাৰোগ্য ৰোগত ককবকাইছে আৰু কিছুমানে চিকিৎসাৰ অবিহনে মৃত্যুবৰণ কৰিছে। কিন্তু চৰকাৰী পক্ষই কোনো ক্ষতিপূৰণৰ ব্যৱস্থা নকৰিলে। বৰঞ্চ, এই বিষয়সমূহ আলোচনা বা চৰ্চাৰ বিষয় হৈয়ে নুঠিল সদন বা অন্যান্য ৰাজনৈতিক মহলতো।

# বটদ্ৰৱাত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষীয়েও অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী সফল অভিযান। বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কুমুদ গগৈৰ নেতৃত্বিত গোপন সূত্ৰৰ পম খেদি বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত আমলখিৰ পৰা আজমল হুছেইন নামৰ এজন ড্ৰাগছ ব্যৱসায়িক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ ব্যৱসায়ীটোৰ পৰা আৰক্ষীয়ে ১৩.২০গ্ৰাম ড্ৰাগছৰ লগতে বহু কেইটা কনটেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, বটদ্ৰৱা আৰক্ষীয়ে সঘনাই চলাইছে ড্ৰাগছ বিৰোধী সফল অভিযান ইতিমধ্যে বটদ্ৰৱা আৰক্ষীয়ে মাৰাথান জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# দেশৰ ১৭খন ৰাজ্য আৰু এক

নেতৃত্বাধীন এন ডি এ ই শাসনত আছে আৰু মুঠ জনসংখ্যাৰ ৪৯.৬ শতাংশ লোকক শাসনৰ সুযোগ পাইছে। সম্প্ৰতি বিজেপি নেতৃত্বাধীন এন ডি এৰ দখলত থকা ৰাজ্যকেইখন হৈছে কৰ্ণাটক, মধ্যপ্ৰদেশ, গুজৰাট, বিহাৰ, ছিকিম, অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম, মেঘালয়, নাগালেণ্ড, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, হাৰিয়ানা, গোৱা, মণিপুৰ, ত্ৰিপুৰা আৰু হিমাচল প্ৰদেশ। একমাত্ৰ কেন্দ্ৰীয়শাসিত অঞ্চলটো পুডুচেৰী।

# ৮০খন পৌৰসভাৰ ৭৮খনেই

হৈ পৌৰসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী ৰূপে নিৰ্বাচনত নামিছিল হৰিশ চন্দকে। আৰু তেওঁৰ পত্নী মায়া চন্দকে কংগ্ৰেছৰ প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। নিৰ্বাচনী ফলাফলৰ পাছত কংগ্ৰেছে ৫খন আসন দখল কৰাৰ বিপৰীতে বিজেপিয়ে ৩খন আৰু নিৰ্দলীয়ই চখন আসন দখল কৰিছিল। বিৰোধী কংগ্ৰেছক কাৰ্যতঃ দিশহাৰা কৰি নাৰায়ণপুৰ পৌৰসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই কয় যে ৮০খন পৌৰসভাৰ ৭৮খনেই এতিয়া বিজেপি মিত্ৰজোঁটৰ দখললৈ আহিল। নিৰ্দলীয়ৰ হাতত থকা পৌৰসভা দুখনো অচিৰেই বিজেপিৰ দখললৈ আহিব। নাৰায়ণপুৰ পৌৰসভা বিজেপিয়ে দখল কৰাৰ সম্ভাৱনা অধিক আছিল। কিয়নো কংগ্ৰেছৰ ৫খন আসনৰ বিপৰীতে বিজেপি আৰু দুই নিৰ্দলীয়ৰ মুঠ আসন ৫খন অৰ্থাৎ আমি সমানসংখ্যক আসন দখল কৰাৰ পাছত লখিমপুৰ লোকসভা সাংসদৰ ভোটেৰে আমি নিশ্চিতভাৱে নাৰায়ণপুৰ পৌৰসভা দখল কৰিব পাৰিলোহেঁতেন। এই প্ৰচেষ্টা অধিক মসৃন কৰিলে কংগ্ৰেছৰ দুই প্ৰাৰ্থীৰ যোগদানে।

# আন্তৰ্জাতিক মহিলা দিৱস উপলক্ষে “সমৃদ্ধি মেলা”

ৰঙিলী বাৰ্ত্তাসেৱা- দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযান (DAY-NULM), মহানগৰ মিছন ব্যৱস্থাপনা গোট, গুৱাহাটী পৌৰনিগমৰ (জিএমচি) অধীনত আন্তৰ্জাতিক মহিলা দিৱস উপলক্ষে আজি “সমৃদ্ধি মেলা” গুৱাহাটীৰ দীঘলীপুখুৰী পাৰ্কত শুভাৰম্ভ কৰা হয়। এই উপলক্ষে অনুষ্ঠিত এক সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামীয়ে। সভাত গুৱাহাটী পৌৰনিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আত্ম-সহায়ক গোটসমূহ আৰু মহিলা সদস্যসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য ৰাখে। তাৰোপৰি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা অৰ্জন কৰা কেইবাটাও আত্মসহায়ক গোটক দক্ষতাৰ প্ৰমান পত্ৰ প্ৰদান কৰা হয়। “সমৃদ্ধি মেলা”ৰ মুখ্য উদেশ্যে হৈছে GMCৰ DAY-NULM ৰঅধীনত আত্মসহায়ক গোটৰ মহিলাসকলৰ বহনক্ষম সামাজিক আৰু অৰ্থনৈতিক উন্নতি সম্পৰ্কীয় বিভিন্ন পদক্ষেপৰ জৰিয়তে মহিলা সৱলীকৰণ কৰা। “সমৃদ্ধি মেলা”ত আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী মেখেলা চাদৰ, খাদ্য সামগ্ৰী, গহনা, আলংকাৰিক সামগ্ৰী আদি প্ৰদৰ্শন আৰু বিক্ৰী কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে।

# অৱসৰপ্ৰাপ্ত সৈনিকলৈ সৈনিক কল্যাণ সঞ্চালকালয়ৰ নিৰ্দেশনা

ৰঙিলী বাৰ্ত্তাসেৱা- সৈনিক সঞ্চালকালয়, অসমে অৱসৰপ্ৰাপ্ত সৈনিকসকলৰ প্ৰত্যেকক নিজৰ মোবাইল ফোন নম্বৰ আৰু ই-মেইল আই ডি নিজ নিজ ৰেকৰ্ড অফিচত জমা দিবলৈ জনাইছে। ৰাজ্যিক তথা জিলা সৈনিক কল্যাণ বিভাগত ইয়াৰ বাবে নিৰ্দিষ্ট প্ৰ-পত্ৰ পোৱা যায়। অৱসৰপ্ৰাপ্ত সৈনিকসকলে নিজ পেঞ্চন একাউণ্ট, পানকাৰ্ড আৰু আধাৰ কাৰ্ডৰ সৈতে লিংক থকা মোবাইল নম্বৰৰ নিজৰ ডিচাৰ্জ বুক আৰু পিপিঅ' সহ জিলা কল্যাণ বিভাগৰ কাৰ্যালয় অথবা ৰাজ্যিক সৈনিক অফিচত যোগাযোগ কৰিব লাগিব। মোবাইল নম্বৰ অথবা ই-মেইল আই ডি পেঞ্চন সম্পৰ্কীয় মেছেজ আহিলে সেয়া ডিলিট নকৰিবলৈও সৈনিক সঞ্চালকালয়ে অৱসৰপ্ৰাপ্ত সৈনিকসকললৈ অনুৰোধ জনাইছে। মেছেজটো বুজি পোৱাত কিবা অসুবিধা হলে তেওঁলোকে জিলা কল্যাণ বিভাগৰ কাৰ্য্যালয়ত যোগাযোগ কৰিব পাৰিব বুলিও সঞ্চালকালয়ে জানিবলৈ দিছে।

# গোলাঘাটত ৰাজ্যিক হস্ততাঁত বাণিজ্য মেলা

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ে অহা ইং ১২/০৩/২০২২ তাৰিখৰ পৰা ২৫/০৩/২০২২ তাৰিখলৈ গোলাঘাট জেনেৰেল ফিল্ডত এখন ৰাজ্যিক হস্ততাঁত বাণিজ্য মেলাৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন অনুষ্ঠানৰ অধীনত ভাৰত চৰকাৰৰ বস্ত্ৰশিল্প মন্ত্ৰালয়ৰ হস্ততাঁত উন্নয়ন আয়োগৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া বাণিজ্য মেলাখনৰ মূল উদ্দেশ্য হ'ল স্থানীয় শিপিনীৰ দ্বাৰা প্ৰস্তুত কৰা হস্ততাঁত সামগ্ৰীৰ বজাৰ সৃষ্টি কৰা আৰু শিপিনীৰ বাবে বিনামূলীয়াকৈ বজাৰৰ বিপণীৰ ব্যৱস্থা কৰা। উল্লেখযোগ্য যে, এই বাণিজ্য মেলাখনত ৬০ টা হস্ততাঁত গোটয এজেন্সি, সমবায় সমিতি, উৎপাদক গ্ৰুপ, আত্মসহায়ক গোট, সংঘ আৰু অন্যান্য প্ৰতিভাশালী শিপিনীয়ে অংশগ্ৰহণ কৰিব।

# মোৰ দৃষ্টিত : নাৰী

পাৰ্থ প্ৰতিম শইকীয়া
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ



সৃষ্টিৰ প্ৰতীক নাৰী। নাৰী ধৈৰ্য্য, সাহস, শক্তি, সৌন্দৰ্য্য, মমতাময়ী, আবেদনময়ী আৰু ত্যাগৰ প্ৰতীক। যাৰ জৰিয়তে অংকুৰিত হয় নতুন বীজৰ, ধৰালৈ আহে নতুন অতিথি, সেই অতিথি যিয়ে মাতৃৰ কোলা শুৱনি কৰে। সৃষ্টিৰ নতুন আশাই প্ৰাণ পাই উঠে । ধৰাৰ বুকুত নাৰী যেন সৰ্বাংগ সুন্দৰ সৃষ্টি ।

মা মোৰ জীৱনৰ প্ৰথম নাৰী। যাৰ জৰিয়তে ধৰাৰ বুকুলৈ আহিলোঁ। প্ৰতিদিন যাৰ সান্নিধ্যৰে জীৱনৰ প্ৰতিটো খোজ আগবাঢ়ি গৈছো । থুনুক - থানাককৈ খোজ কঢ়া হোৱাৰে পৰা বৰ্তমানলৈকে প্ৰতিটো খোজৰ সংগী। জীৱনৰ প্ৰতিটো ক্ষণৰ লগৰী মা মোৰ বাবে যেন ৰক্ষাকৱচ । জীৱনৰ কঠিন পৰিস্থিতিটো হাৰ মানিব নোখোজা মা পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ নাৰী।

আচলতে নাৰী বিভিন্ন সময়ত বিভিন্ন ৰূপেৰে আমাৰ মাজলৈ আহে। সেয়া বাইদেউ বা ভন্টিয়েই হওক, নতুবা আইতা, বৰমা, খুৰী, নবৌ যিয়েই নহওক কিয় তেওঁলোকৰ জৰিয়তেই এগৰাকী নাৰীৰ গুৰুত্ব কিমান সেয়া অনুভৱ কৰিব পাৰি । হৃদয়ৰ অত্যন্ত প্ৰিয় আৰু দুখ - সুখৰ প্ৰতিটো সময়ত একান্ত কাষৰ পৰা নাৰী ৰূপত যাক বিচৰা যায় - তেওঁৱেই হ'ল পত্নী । নাৰী মানেই যেন প্ৰতিজন মানুহৰ জীৱন যাত্ৰা সুন্দৰ কৰি তোলা এক অনন্য সত্তা । যাৰ আছে স্বকীয় পৰিচয়, স্বাভিমান আৰু গৌৰৱ ।

বৰ্তমান সময়ত আমাৰ সমাজত নাৰীৰ স্থান অতি উচ্চ । প্ৰতিদিনেই কবি, লেখকৰ সৃষ্টিত প্ৰাণ পাই উঠে নাৰীৰ গুণ - গৰিমা। তথাপিও কিন্তু নাৰী সম্পূৰ্ণৰূপে সুৰক্ষিত নহয়, এয়াই হয়তো আমাৰ সমাজ ব্যৱস্থাৰ চৰম বিফলতা । প্ৰতিদিনেই ধৰ্ষিতা হয় নাৰী, ৫ মহীয়া কন্যা শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধালৈকে। ইয়াতকৈ আৰু লজ্জাজনক কথা কি হ'ব পাৰে । দিন দুপৰতে দা ৰে ঘপিয়াই এজনী ছোৱালীক হত্যা কৰা হয়, ইয়াতকৈ আৰু মৰ্মান্তিক ঘটনা কি হ'ব পাৰে ? এগৰাকী নাৰীয়ে স্বামীগৃহত উৎপীড়নৰ বলি হ'ব লগা হয় । কিন্তু সেইগৰাকী নাৰীকে আমি লক্ষ্মী, দুৰ্গা, কালি হিচাপে পূজা কৰোঁ । এইয়াই আমাৰ সমাজৰ

(আঠপৃষ্ঠাত চাওক)

# বিষাদৰ বেদনা

জ্যোতিময়ী দেৱী, দেৰগাঁও মিছামৰা



অ দাদা তুমি কেনি গ'লা
আজি মই তোমাক বিচাৰি
হৈ পৰিছো বাকৰুদ্ধ
অ দাদা তুমি কিয় আমাৰ পৰা চিৰদিনলৈ আঁতৰি গ'লা
তুমি আতৰি গ'লা সঁচা
কিন্তু থাকি গ'ল তোমাৰ
এমা- ডিমা দুটি পখিলা
মৌচাক জন্মভূমিৰ পৃষ্ঠাত আজি তোমাক বিচাৰোঁ
তুমি আতৰি গ'লা আমাৰ পৰা
ভাগি গ'ল আমাৰ পজা
ভগ্ন হৈ গ'ল আইৰ হৃদয়
অ দাদা কিয় দি গ'লা ইমান
বাৰু বিষাদ
আজি ধূলিৰ লগত বিলীন তোমাৰ স্মৃতিবোৰ ......
নেদেখা জনৰ ওচৰত কাতৰ অনুৰোধ
জনমে জনমে যাতে তোমাকেই পাওঁ দাদা হিচাপে

# হাত-ভৰিৰ জিনজিননি

ডাঃ বিজিতা চুতীয়া
বি. এ. এম. এছ., এম. ডি. (আয়ুৰ), আয়ুৰ্বেদিক বিশেষজ্ঞা



বৰ্তমান সময়ত প্ৰায়ভাগ মানুহৰে হাত বা ভৰিৰ জিনজিননি বৃদ্ধি পোৱা দেখা গৈছে । আমি বহু সময় ধৰি একেটা অৱস্থাতে শুই বা বহি থকাৰ ফলত শৰীৰত ৰক্ত সঞ্চালন কমি গলে বা স্নায়ু সমূহত অতিমাত্ৰা চাপ পৰাৰ ফলত এনে জিনজিননি হয় । কিন্তু যদিহে হাত বা ভৰিৰ জিনজিননি বহুদিনলৈকে থাকে তেন্তে ইয়াৰ কাৰণ বিভিন্ন হব পাৰে । যেনে -

১) Multiple sclerosis
২) Fibromyalgia
৩) Diabetic neuropathy
৪) Sciatica
৫) Kidney failure
৬) Peripheral neuropathy
৭) Vitamin deficiency (Vit B1, Vit B12, Vit A, Vit E)
৮) Tarsal tunnel syndrome
৯) বিভিন্ন ধৰণৰ ঔষধৰ প্ৰয়োগ ( Isoniazid, Phenytoin, statins, vincristine)
১০) অতিমাত্ৰা মদ্যপান ইত্যাদি।

**হাত বা ভৰিৰ জিনজিননি ৰ ফলত হোৱা জটিলতা**

হাত -ভৰিৰ জিনজিননি বহুদিনলৈকে থাকিলে ইয়াৰ আশে পাশে থকা শৰীৰৰ অন্য অংশলৈ ও বিয়পিব পাৰে । ইয়াৰ ফলত Varicose veins, deep vein thrombosis, peripheral neuritis ইত্যাদি ৰোগ হোৱাৰ আশংকা থাকে । সেয়েহে ঘনাই হাত বা ভৰিৰ জিনজিননিৰ লগতে বিষ বা অন্যান্য উপসৰ্গ ই দেখা দিলে অনতিপলমে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি চিকিৎসা কৰা উচিত ।

**হাত বা ভৰিৰ জিনজিননি হলে মানিবলগীয়া tips**

১) যদিহে ভৰিত জিনজিননি হৈছে তেন্তে ভৰিটো লৰচৰ কৰিব চেষ্টা কৰা উচিত বা অলপ সময় খোজকাঢ়ক।

২)আক্ৰান্ত অংশতো গৰম কৰি ৰখা উচিত ।

৩) লাহে লাহে জিনজিনোৱা অংশত massage কৰিব লাগে, তেতিয়া ৰক্ত সঞ্চালন বৃদ্ধি পাব ।


৪) একেটা অৱস্থানত বহু সময় ধৰি বহি বা শুই নাথাকিব ।

৫) গৰ্ভাৱস্থাত প্ৰায়ে ভৰিৰ জিনজিননি হয়, সেয়েহে শুওতে বা বহুতে অৱস্থান সলনি কৰি

(আঠপৃষ্ঠাত চাওক)

# আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে

কল্পনা দত্ত
গান্ধীবস্তী, গুৱাহাটী




আন্তৰ্জাতিক নাৰী দিৱস প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখে পালন কৰা হয়। গোটেই বিশ্বব্যাপী নাৰীসকলে এটি প্ৰধান দিন হিচাপে এই দিৱস উদযাপন কৰে। বিশ্বৰ বেলেগ বেলেগ প্ৰান্তত নাৰীদিৱস উদযাপনৰ প্ৰধান লক্ষ্য বেলেগ বেলেগ। কৰবাত নাৰীৰ প্ৰতি সাধাৰণ সন্মান আৰু শ্ৰদ্ধা উদযাপনৰ মুখ্য বিষয় হয়, আকৌ কৰবাত মহিলাসকলৰ আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক প্ৰতিষ্ঠায়ে বেছি গুৰুত্ব পায়। বিশ্বৰ অনেক দেশত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষ্যে আনুষ্ঠানিকভাৱে চৰকাৰী ছুটীৰ দিন হিচাপে পালন কৰা হয়। তাৰোপৰি কিছুসংখ্যক দেশত কেৱল নাৰীসকলে চৰকাৰী ছুটীৰ দিন উপভোগ কৰে।

প্ৰতিবছৰে নাৰী দিৱস উদযাপন কৰি নাৰী সকলক সন্মানিত কৰা হয়। বহুতো নাৰীক উপযুক্ততাৰ বাবে পুৰস্কৃতও কৰা হয়। কিন্তু

(আঠপৃষ্ঠাত চাওক)

# আইচিচি মহিলা এদিনীয়া বিশ্বকাপত দ্বিতীয়টো জয় পঞ্জীয়ন কৰে ভাৰতে



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতে অপেনাৰ স্মৃতি মান্ধানা আৰু উপ-অধিনায়ক হৰমনপ্ৰীত কৌৰে শতক অৰ্জন কৰি ৱেষ্ট ইণ্ডিজক ১৫৫ ৰাণত পৰাস্ত কৰে। ভাৰতৰ মহলিা দলে অনুষ্ঠিত আইচিচি মহিলা এদিনীয়া বিশ্বকাপত তেওঁলোকৰ দ্বিতীয়টো জয় পঞ্জীয়ন কৰে। প্ৰথমে বেটিং কৰি মান্ধানা (১২৩ টা বলত ১১৯ ৰাণ) আৰু কৌৰে (১০৭ টা বলত ১০৯ ৰাণ) ১৮৪ ৰাণৰ অংশীদাৰী ত্বৰান্বিত কৰি ভাৰতক তেওঁলোকৰ সৰ্বাধিক বিশ্বকাপ স্ক'ৰ, আঠ উইকেটত ৩১৭ ৰাণ সংগ্ৰহ কৰে।

# হৰমনপ্ৰীত কৌৰ বিশ্বকাপৰ ইতিহাসত ৩ টা শতক অৰ্জন কৰা প্ৰথম ভাৰতীয়

ৰঙিলী বাৰ্ত্তাসেৱা- হৰমনপ্ৰীত কৌৰ মহিলা বিশ্বকাপৰ ইতিহাসত তিনিটা শতক অৰ্জন কৰা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হৈ পৰিছে। ৩৩ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে ২০২২ চনৰ মহিলা বিশ্বকাপৰ এখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ১০৯(১০৭) ৰাণ সংগ্ৰহ কৰি এই কৃতিত্ব অৰ্জন কৰে। হৰমনপ্ৰীতে প্ৰথম মহিলা বিশ্বকাপত শতক (১০৭ ) ২০১৩ চনত ইংলেণ্ডৰ বিৰুদ্ধে আৰু দ্বিতীয়টো(১৭১ ) ২০১৭ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে কৰিছিল।



# আমাৰ শ্ৰেষ্ঠতম অদৃশ্য সম্পদ মনটো

কৌশল্যা বৰা
দেৰগাঁও

পুৰাৰ সম্ভাষণ জনালোঁ। ঋতুৰাজৰ আগমনিৰ এটি মনোৰম নতুন পুৱা। জানো, আপোনাৰ আজি মনতো খুবেই ভাল লাগি আছে। এমোকোৰা হাঁহিভৰা আপোনাৰ মুখখনিয়ে, দীপ্তিমান চকুহালে আপোনাৰ মৰমসনা ব্যক্তিত্বই সকলোকে আকৰ্ষণ কৰি চৌপাশৰ সমাজকো আনন্দিত কৰিছে। হয়, আপুনি যোৱাকালিৰ সকলো পাহৰি আজিৰ এটি নতুন দিনৰ বাবে বহুত গঠনমূলক আঁচনি লৈ সাজু হৈছে। মই জানো কিন্তু, আপোনাৰ মনটো সদায় ইতিবাচক চিন্তাৰ গৰাকী। হয়তো সেই বাবে আপোনাৰ সংসাৰখনেও মনে বিচৰামতেই গঢ় লৈছে। সেয়ে, উইচ্ ইউ অল দ্য বেষ্ট।

আপোনাৰ দৰে বহু ঘাট-প্ৰতিঘাট, আমনি অশান্তিৰ মাজতো এনেকৈ সন্তোষিত মনেৰে প্ৰতিদিনে জীৱনটোক সহজভাৱে আগবঢ়াই নিব পৰা লোকসকলৰ বিষয়ে মহৎ গ্ৰন্থ নতুবা মহৎ লোকসকলে কি কয় শুনোচোন আহক- 'আমি মানুহবোৰ যদি ঈশ্বৰৰ সৃষ্টি, তেন্তে ঈশ্বৰে দিয়া আমাৰ শ্ৰেষ্ঠ সম্পদ হ'ল- মগজুটো আৰু শ্ৰেষ্ঠতম অদৃশ্য সম্পদফেৰা হ'ল- আমাৰ মনটো। ইচ্ছা-অনিচ্ছা, ভাল-বেয়া, আবেগ-অনুভূতিৰ ই হ'ল এক বৃহৎ ভাণ্ডাৰ। মনত সৃষ্টি হোৱা অনুভূতিৰ ওপৰতেই জীৱনৰ সকলো কথা নিৰ্ভৰ কৰে। মনত ভাল ভাৱৰ উদয় হ'লে কাম গঠনমূলক হয়, বেয়া ভাৱৰ উদয় হ'লেই বিনাশ অনিবাৰ্য।' প্ৰাচীন ঋষি-মুণিসকলে আনকি আধুনিক বিজ্ঞানেও প্ৰমাণ কৰি দেখুৱাইছে যে মানুহে মনেৰে ভবামতেই শৰীৰে কাম কৰে। আকৌ মনটো দুইফালে ধাৰ থকা অস্ত্ৰৰ দৰে, ই সুখো দিব পাৰে যেনেকৈ দুখো দিব পাৰে তেনেকৈ। সেয়ে নেতিবাচক চিন্তা দুৰ কৰি ইতিবাচক দৃষ্টিভংগীৰে সজভাবে মনক পৰিচালিত কৰিব পাৰিলেহে জীৱন সাৰ্থক হ'ব। পৃথিৱীত সকলো লোকেই নিজৰ ল'ৰা-ছোৱালী ভৱিষ্যতে দুখত নপৰিবলৈ কষ্টোপাৰ্জিত সম্পত্তি সিহঁতৰ বাবে সাঁচি থৈ যায়। কিন্তু, এটা কথা সত্য যে ইতিবাচক বুদ্ধিমত্তাপূৰ্ণ এটা মনৰ অবিহনে পাৰ্থিৱ কোনো সম্পদেই সুখকৰ নহয়। সুন্দৰ সুস্থিৰ মনৰ গৰাকীয়ে প্ৰয়োজনীয় সম্পদ নিজেই আহৰণ কৰি ল'ব পাৰিব । উচিত অনুচিত বিচাৰ কৰিব জনা এটা মনহে মানুহৰ প্ৰকৃত সম্পত্তি।



গৌতম বুদ্ধই কৈছিল,-'the mind is everything, what you think you become'। আকৌ 'Possitive lntelligence' নামৰ গ্ৰন্থত ছিৰজাদ চামিন(Shirzad Chamine) এ লিখিছে, -'আপোনাৰ মনটো হ'ল আটাইতকৈ ভাল বন্ধু, কিন্তু আটাইতকৈ বেয়া শত্ৰুও। আপোনাৰ ইতিবাচক বুদ্ধিমত্তা হ'ল আপোনাৰ মনে আপোনাক কুটাঘাট কৰাৰ বিপৰীতে কিমান শতাংশ ভাললৈ চলাই নিছে, ইতিবাচক বুদ্ধিমত্তাৰ আপোনাৰ নিজৰ মনৰ ওপৰত কিমান প্ৰভাৱ আছে তাকে দেখুৱাই। 'পজিটিভ ইন্টেলিজেন্স' হৈছে এক স্ব-আৰ্জিত দক্ষতা। নিজকে কুশলে ৰাখি ইতিবাচক মানসিকতাৰে যদি আমি সকলো কামত অগ্ৰসৰ হ'ব পাৰোঁ, তেন্তে আমি সুন্দৰ ব্যক্তিত্বৰ গৰাকী হ'ব পাৰিম আৰু পুৰুষানুক্ৰমে সেই ভাব-চিন্তাবোৰ আমাৰ সতি-সন্ততিলৈ প্ৰবাহিত হ'ব। এটি সুন্দৰ মনৰ গৰাকী হ'বলৈ হ'লে সদায় প্ৰফুল্লিত মনেৰে সৃষ্টিশীল মানসিকতাৰে কামত অগ্ৰসৰ হৈ নিজৰ আত্মিক দক্ষতাৰ প্ৰতি চকু ৰাখি যিকোনো মীমাংসা ল'ব লাগে। প্ৰতিটো দিন এটি প্ৰাৰ্থনা বা প্ৰিয় মহৎলোকৰ বাণীৰে আৰম্ভ কৰিব লাগে। নিজৰ কৰ্মথলীয়েই হওক বা আন যিকোনো প্ৰকাৰে উদ্ভৱ হোৱা মানসিক ছাপৰ কাৰণবোৰ ইতিবাচক দৃষ্টি-ভংগীৰে বিশ্লেষণ কৰি নিজকে ছাপৰ পৰা মুক্ত কৰিব লাগে। ভাল কামৰ বাবে অন্যক প্ৰশংসা কৰা, উপকাৰৰ বাবে কৃতজ্ঞতা জনোৱা, সহায় কৰা, শৃংখলাবদ্ধ ভাবে নিজৰ কাম কৰা, হাঁহিমুখে থকা, অলপ সময় শাৰীৰিক ব্যায়াম কৰা, গভীৰ ভাবে শ্বাস-প্ৰশ্বাস লোৱা আদিয়ে পজিটিভ ইন্টেলিজেন্স বৃদ্ধি কৰায়। মানুহৰ শৰীৰ আৰু মন এই দুটাৰ মাজত এক সু-সামঞ্জস্য থাকিব লাগে। শৰীৰ আৰু মনৰ সুন্দৰ ভাৰসাম্য ৰক্ষাৰ কাৰণে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা অতি প্ৰয়োজন। বাঢ়নৰ সময়ৰ পৰাই মূল্যবোধৰ শিক্ষাৰে ল'ৰা-ছোৱালীক শিক্ষিত কৰিব লাগে। যিকোনো কামত অগ্ৰসৰ হওঁতে সদায় সৎ, নিৰ্ভীক, অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দিব পৰা সাহসী, যিকোনো দিশত আগবাঢ়ি যোৱা লোকৰ আদৰ্শ গ্ৰহণ কৰা উচিত। এইখিনিতে

(আঠপৃষ্ঠাত চাওক)

# আমাৰ সমাজত নাৰীৰ স্থান

ডাঃ যুতিকা ওজা
মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন বিভাগ
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

ভাৰতবৰ্ষৰ সংবিধানত পুৰুষ আৰু মহিলা উভয়কে সমান অধিকাৰ প্ৰদান কৰা হৈছে। আজিৰ যুগত পুৰুষৰ সমান্তৰালকৈ মহিলাসকলে প্ৰায় সকলো ক্ষেত্ৰতে আগুৱাই গৈছে। দেশ এখন উন্নতিৰ পথেৰে আগুৱাই যাবলৈ হ'লে পুৰুষ মহিলা উভয়ৰে অবিহনা অনস্বীকাৰ্য্য। তাৰ বাবে সমাজত পুৰুষৰ লগতে নাৰীসকলেও সম অধিকাৰ আৰু সমান সুবিধা পোৱাটো অতি প্ৰয়োজনীয়।

বুৰঞ্জী ফঁহিয়াই চালে দেখা পোৱা যায় যে বিগত এটা বা দুটা দশক আগলৈকে আমাৰ সমাজত নাৰীৰ প্ৰতি বৈষম্যতা চলি আহিছিল। কেৱল অসম বা ভাৰততে নহয়, পৃথিৱীৰ বিভিন্ন প্ৰান্তত পুৰুষৰ তুলনাত মহিলাৰ স্থান সদায় তলত আছিল। শিশুটি গৰ্ভত থকা সময়ৰ পৰাই এই বৈষম্যতা আৰম্ভ হৈছিল। গৰ্ভস্থ শিশুটি কন্যা সন্তান হ'লে ভ্ৰূণ হত্যাৰ লগতে কন্যা শিশুৰ জন্মৰ লগে লগে হত্যা কৰাৰ নিচিনা নাৰকীয় ঘটনা ঘটিছিল। অৱশ্যে সামাজিক সচেতনতা, চৰকাৰ দ্বাৰা ভ্ৰূণ হত্যাৰ বিৰুদ্ধে আইন প্ৰণয়ন আদিৰ ফলত উপৰোক্ত হৃদয় বিদাৰক ঘটনা বিলাক বৰ্তমান নাইকিয়া হৈছে। তৎস্বত্বেও, এতিয়াও কিছুমান সমাজত কন্যা শিশুৰ জন্ম হ'লে এটা গধুৰ বোজা বুলি জ্ঞান কৰে।

এতিয়াও আমাৰ সমাজত এনেকুৱা কিছুমান লোক আছে যিয়ে ঘৰখনত পুত্ৰ সন্তান জন্ম হ'লেহে আনন্দ কৰে। ঘৰৰ ভাল খোৱাবস্তু আৰু পৰিমানত সৰহখিনি বেছিভাগ ক্ষেত্ৰত ল'ৰাজনেহে পায়। একে লগৰ ছোৱালীজনীয়ে কিন্তু সেইখিনি সুবিধা নাপায়। এনেবোৰ কাৰণতে ল'ৰাতকৈ ছোৱালীসকল বেছিকৈ পুষ্টিহীনতাত ভোগে। বাল্যকাল আৰু কিশোৰ অৱস্থাত নিৰ্ধাৰিত পৰিমাণৰ সুষম আহাৰ নোপোৱাৰ ফলত বহুতো ছোৱালীয়ে আইৰণ, আয়'ডিন, ভিটামিন আদিৰ অভাৱজনিত ৰোগত ভোগে। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰ্তমান চৰকাৰে বহুখিনি আঁচনি হাতত লৈছে। বিদ্যালয়ত মধ্যাহ্ন ভোজন, ছাত্ৰীসকলক বিনামূলীয়া আইৰণ টেবলেট বিতৰণ, কিশোৰীসকলৰ বাবে লোৱা আঁচনি আদিৰ ফলত ছোৱালীসকল যথেষ্ট উপকৃত হৈছে।

শিক্ষা দীক্ষাৰ ক্ষেত্ৰতো পূৰ্বৰ তুলনাত নাৰীৰ বৰ্তমানৰ হাৰ কিছু আশাব্যঞ্জক। তৎস্বত্বেও, এতিয়াও কিছুমান ৰাজ্যত ছোৱালীতকৈ ল'ৰাকহে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া যায়। অৱশ্যে, চৰকাৰে চাকৰিৰ ক্ষেত্ৰত মহিলাৰ বাবে আসন সংৰক্ষনৰ বাবে ব্যৱস্থা কৰিছে। তাৰ ফলত কৰ্মক্ষেত্ৰত লাহে লাহে মহিলাৰ সংখ্যা বাঢ়ি আহিছে। কিন্তু বহুক্ষেত্ৰত, ঘৰৰ দায়িত্বসমূহৰ বাবে মহিলাসকলে ঘৰৰ বাহিৰলৈ বা কৰ্মক্ষেত্ৰলৈ যাব নোৱাৰে। কেতিয়াবা আৰু ঘৰুৱা সমস্যাৰ বাবে কৰি থকা চাকৰি এৰি দিবলগীয়া হয়।



সমাজৰ আন এক ভয়ংকৰ দিশ বাল্য বিবাহৰ প্ৰচলন এতিয়াও আছে। বহু সমাজত জন্ম হোৱাৰ পিছৰপৰা ছোৱালীজনীক শিক্ষা দীক্ষাৰে উপযুক্ত কৰি তোলাতকৈ বিয়াৰ চিন্তাহে অধিক কৰা দেখা যায়। সেইবাবে পঢ়া শুনাতকৈ ঘৰুৱা কাম কাজ, ৰন্ধাবঢ়া আদি কামত ছোৱাসীসকলক ব্যস্ত ৰখা দেখা যায়। যৌতুক প্ৰথাৰ প্ৰচলনেও বহুতো অভিভাৱকক চিন্তাত পেলায়। অৱশ্যে, আমাৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত যৌতুক প্ৰথাৰ প্ৰচলন নাই।

যিহেতু, সুষ্ঠ সমাজ এখন গঢ়ি তুলিবলৈ পুৰুষ মহিলা উভয়ৰে অবিহনা সমান, সেইবাবে চৰকাৰে নাৰী সবলীকৰণৰ বাবে সকলো প্ৰচেষ্টা হাতত লৈছে। বিগত সময়ছোৱাত 'বেটী বচাও, বেটী পঢ়াও' কাৰ্যসূচীৰ দ্বাৰা কন্যাশিশুৰ নিৰাপত্তা নিশ্চিত কৰা আৰু শিক্ষাৰ মান উন্নত কৰা হৈছে।

সেইকাৰণে, মহিলা সকলক ঘৰুৱা বিষয়সমূহৰ উপৰিও সামাজিক কাম-কাজ সমূহত আগবাঢ়ি যাবলৈ দিব লাগে। ঘৰৰ মানুহজনী সুস্থ থাকিলেহে ঘৰৰ সকলো কামকাজ নিয়াৰিকৈ চলিব। গতিকে মানুহগৰাকীৰ স্বাস্থ্যৰ প্ৰতিও ধ্যান দিব লাগে। এতিয়াও খোৱা বোৱাৰ ক্ষেত্ৰত দেখা যায় যে সকলোৰে খোৱা বোৱা হোৱাৰ

(আঠপৃষ্ঠাত চাওক)

# মহিলা সবলীকৰণত অগ্ৰাধিকাৰ

## আইন সংশোধনীৰে সাজু চৰকাৰ

উদ্দেশ্য

প্ৰশাসন তন্ত্ৰত মহিলা প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণৰ হাৰ বৃদ্ধি



JANASANYOG- 3832/21

### অসম পৌৰ আইন, ১৯৫৬ ৰ সংশোধনী মৰ্মে

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ১০ বছৰৰ মহিলা সংৰক্ষণৰ ম্যাদ নিৰ্ধাৰণ

### গুৱাহাটী পৌৰ নিগম আইন, ১৯৬৯ৰ সংশোধনী মৰ্মে

নিগম কাউন্সিলৰৰ প্ৰত্যক্ষ নিৰ্বাচনত মহিলা সংৰক্ষণৰ কাৰ্যকাল ১০ বছৰলৈ বৃদ্ধি



১০ ডিচেম্বৰ, ২০২১ৰ অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি

পঞ্জীয়ন কৰক assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

# নাৰী তুমি অনন্যা

**প্ৰস্তুতি শৰ্মা গোলাঘাট বাণিজ্য মহাবিদ্যালয়**



মইতো নহয় পাগল প্ৰেমিকা
প্ৰেমৰ বোকোচাত উঠি ফুৰা
মই তো ধৰ্ষিতা নহয়
মই ও এগৰাকী মা।
সেই ৰাতি বোৰ আহিলে
আজিও ভয় লাগে
ওপজে মাথো ঘৃণা
সেইয়ে সিহঁতবোৰ সিহঁত মানুহ নহয়।
মোৰ ওপৰত ইমান অত্যাচাৰ কিয়?
মোক কিয় দেৱীৰ দৰে পূজা কৰা,
কিয় আকৌ মোৰ ওপৰত জপিয়াই পৰা হিংস্ৰ প্ৰাণীৰ দৰে, ,
অথচ মই
গৰ্ভৰ সৃষ্টিৰ পৃষ্ঠা,
মোৰ নামেই নাৰী।

# মোৰ দৃষ্টিত

ফোপোলা স্বৰূপ। ছ'চিয়েল মিডিয়াত নাৰীক লৈ দীঘল দীঘল ৰচনা লিখে কিন্তু বাস্তৱত সেই নাৰীকে ৰাজপথত উপলুঙা কৰে । সঁচাই আমাৰ বাবে এয়া এক লজ্জাজনক বিষয় ।
শেষত নাৰীসকল স্বকীয়তাৰে উজ্বলি উঠক। জীৱন যুদ্ধত সগৌৰৱে থিয় হৈ আগবাঢ়ি যাওক ।সমাজৰ প্ৰত্যেকজন ব্যক্তিলৈ এটাই অনুৰোধ নাৰীসকল তেতিয়ালৈকে সুৰক্ষিত নহয় যেতিয়ালৈকে সম্পূৰ্ণৰূপে সমমৰ্য্যদা নাপায় ।গতিকে বিভেদকামী মনোভাৱ ত্যাগ কৰি নাৰীকো পুৰুষৰ সমানে আগবঢ়াই নিয়াটোহে শ্ৰেয় ।আন্তৰ্জাতি নাৰী দিৱসৰ শুভেচ্ছাৰে ।

# হাত-ভৰিৰ

থাকিব ।

**আয়ুৰ্বেদ শাস্ত্ৰত উপযোগী ঔষধী**

১) মহানাৰায়ন তৈল
২) পিণ্ড তৈল
৩) সহচৰাদি তৈল
৪) নাৰায়ণ তৈল
৫) মহামাশ তৈল
৬) একাংৱীৰ ৰস
৭) সমীৰপন্নগ ৰস
৮) নৱজীৱন ৰস
৯) যোগৰাজ guggulu
১০) মহায়োগৰাজ guggulu
১১) বলাৰিষ্ট ইত্যাদি ।

**নিয়ম আৰু পথ্য**

যিবোৰ কাৰকৰ বাবে হাত-ভৰিৰ জিনজিননি হয় সেইসমূহ ত্যাগ কৰা উচিত। স্নায়ুৰোগ নিৰাময়ৰ বাবে যোগ চিকিৎসাৰ ভূমিকা অন্যতম । গতিকে পুৱা-গধূলি যোগাভ্যাস ৰ লগতে কিছুসময় ধ্যান কৰি মনোবল বৃদ্ধি কৰিব। প্ৰচুৰ পৰিমানে পানী আৰু শাক পাচলি গ্ৰহণ কৰিব। টোপনি ক্ষতি নকৰিব। মচলাযুক্ত, গুৰুপাকী খাদ্য বৰ্জন কৰিব। মদ্যপান ত্যাগ কৰিব। গৰম পানী, গম, চজিনা, alovera ৰ ৰস, খেজুৰ, কিছমিছ, জিৰা, বিলাহী, কমলা, মৌজোল ইত্যাদি উত্তম পথ্য।
উপৰিউক্ত নিয়ম আৰু পথ্য পালন কৰাৰ লগতে ৰোগৰ কাৰণ অনুযায়ী চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি এই ৰোগ নিৰ্মূল কৰিব পাৰি।

# আমাৰ শ্ৰেষ্ঠতম অদৃশ্য

আমাৰ দেউতাহঁতে কোৱা এষাৰ কথা মনত পৰিছে। কথাষাৰ তেনেই সৰু হ'লেও তাৰ অৰ্থ বৰ গুৰুত্বপূৰ্ণ- -'আগবাঢ়ি গৈ থকাজনে কয়, মই আহিলোঁ আহি থাক' আৰু পাছত থকাজনে অনুৰোধ কৰে, -'অলপ ৰৈ দেচোন মইও যাম।' কৰ্মোদ্দমী লোকে উৎসাহিত কৰে আনহাতে এলেহুৱাই অন্যলোকো বহি থকাকে বিচাৰে। 'নকৰো নোৱাৰিম'-এ হেচি ধৰে, 'কৰিম পাৰিমে'-তুলি ধৰে। বৰ্তমান আমি এনে এখন পৃথিবীত আছো য'ত ঐশ্বৰ্য-প্ৰাচুৰ্য, বিজ্ঞান- প্ৰযুক্তিবিদ্যাৰ অভুতপূৰ্ব প্ৰসাৰ, জ্ঞানৰ বিস্ফোৰণ, হাতৰ তলুৱাত চাব পৰা সমগ্ৰ বিশ্ব, যিবোৰ মানৱ ইতিহাসত কেতিয়াও সৃষ্টি হোৱা নাছিল। চিন্তাৰ বিষয় এতিয়া আমি দুৰ্ব্বাৰ গতিৰ 5G ইণ্টাৰনেটৰ সুবিধাৰ বাবে নিজক সাজু কৰিম তথা আমাৰ সন্তান সকলক সাজু কৰাব পাৰিম। ভাল-বেয়াৰ পূৰ্ণ সমাহাৰ এই সেৰাবোৰ গ্ৰহণ কৰি ভোগ্য বসুন্ধৰাৰ যোগ্য মানুহ হোৱাটো নিৰ্ভৰ কৰিব আমাৰ মনৰ গ্ৰহণ-বৰ্জন ক্ষমতাৰ সুপ্ৰয়োগৰ ওপৰত। তাৰবাবে লাগিব এটি ইতিবাচক বুদ্ধিমত্তা পূৰ্ণ মন। প্ৰশিক্ষিত মনেহে সৎখিনি গ্ৰহণ কৰি অসৎখিনি পৰিহাৰ কৰি নৈতিক উৎকৰ্ষ সাধন কৰি প্ৰকৃত মানুহ ৰূপে গঢ়ি তোলে। যিহেতু আত্মানুশাসনহীন বা ব্যভিচাৰী লোকৰ হাতত সম্পদ হয় প্ৰলোভন মাত্ৰ, যি নিজৰো আৰু আনৰো অশেষ অনিষ্ট কৰিব পাৰে। আকৌ প্ৰতিমাৰ পিছফালে চোৰা সকল নেতিবাচক চিন্তাৰ লোক। তেনেলোকৰ যজ্ঞ সম্ফল নহয়। ইফালে প্ৰত্যেক বস্তুৰে ভাল দিশটোলৈহে লক্ষ্য কৰে ইতিবাচক বুদ্ধিমত্তাসম্পন্ন সকলে। সেয়ে অভিভাৱকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব হৈছে সন্তানক মৌ-মাখিৰ দৰে এটি সুন্দৰ মন দান কৰা যাতে মৌ-মাখিৰ দৰে বেয়াৰ পৰাও ভালহে সংগ্ৰহ কৰিব পাৰে। তেনে মন-মানসিকতাই এই বিজ্ঞান সৰ্বচ্চ যুগৰ একমাত্ৰ বাহাদুৰি। সেই সামৰ্থবান সকলেই আজিৰ পৃথিৱীৰ উপযুক্ত বাসিন্দা। গঠনমূলক চিন্তাধাৰাৰে, আপোনাৰ ভাললগা ব্যক্তিত্বই চৌপাশৰ সমাজৰ সকলোকে অনুপ্ৰাণিত কৰক। আজিৰ দৰেই আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা মধুময় হওঁক। সকলো পাঠক-পাঠিকালৈ আন্তৰিক ধন্যবাদ জনালোঁ।

# আমাৰ সমাজত নাৰীৰ

পিছতহে মহিলাসকলে খায়। সেইবিষয়ত সকলোৱে চকু দিয়া উচিত।

সামাজিক সমতা এক অতি গুৰুত্বপূৰ্ণ বিষয় যিয়ে সমাজৰ সুস্থিৰ বিকাশত সহায় কৰে। সেইবাবে মানুহৰ মাজত সজাগতা বৃদ্ধিৰ লগতে মহিলাৰ নিৰক্ষৰতা দূৰীকৰণৰ ব্যৱস্থা হাতত লোৱা উচিত। শিক্ষিত মহিলাই শিক্ষাৰ মূল্য বুজি পায় আৰু ল'ৰা ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব দিয়ে। উচিত শিক্ষাৰ ফলত মহিলাৰ মাজত আত্মবিশ্বাসৰ অভাৱ দূৰ হয় আৰু ইয়ে আমাৰ দেশক উন্নতিৰ পথলৈ আগুৱাই নিয়াত সহায়ক হয়।

অলপতে প্ৰকাশ পোৱা Gender Gap Index(2021) সমীক্ষাৰ ১৫৬খন দেশৰ ভিতৰত ভাৰতবৰ্ষৰ স্থান ১৪০, যি সচাঁকৈয়ে ভৱিষ্যতৰ এক ভয়াবহ ছবিৰ সংকেত দিছে।
অৰ্থনীতি ক্ষেত্ৰ, শিক্ষা, স্বাস্থ্য আৰু ৰাজনৈতিক সবলীকৰণৰ ভিত্তিত প্ৰস্তুত কৰা পুৰুষ আৰু মহিলাৰ তুলনাত্মক এই বিশ্লেষণত ভাৰতবৰ্ষৰ স্থান অত্যন্ত পুতৌজনক। এইক্ষেত্ৰত নিশ্চয়কৈ আমাৰ সকলোৰে কৰণীয় আছে।

# আন্তৰ্জাতিক নাৰী

আজিও আমাৰ সমাজত নাৰীয়ে উচিত মৰ্যদা পোৱা নাই। বহুতো নাৰী শোষিত, লঞ্চিত, নিৰ্যাতিত, ঘৰুৱা হিংসাৰ বলি ধৰ্ষিত হৈ আহিছ আজিৰ এই আধুনিক সমাজতও ।নাৰী ঈশ্বৰৰ অপূৰ্ব সৃষ্টি, নাৰীক ইশ্বৰে পুৰুষতকৈ কোনোগুণে কম কৰি সৃষ্টি কৰা নাই।নাৰী সাহসী, ধৈৰ্য্যশীল, এক উদাত্ত শক্তি আৰু অতুলনীয় স্নেহৰ প্ৰতীক।নাৰী হ'ল জননী, সেয়েহে জন্মভূমিক আই মাতৃৰ লগত তুলনা কৰা হয়। যেনেকৈ জন্মভূমিৰ বুকুৰ বায়ু, পানী, শস্য আদি গ্ৰহণ কৰি মানৱ জাতি এতি বৰ্তি থাকে ঠিক তেনেকৈ মাতৃৰ বুকুৰ অমৃত পান কৰি শিশু এটিও বৰ্তি থাকে।
বছৰৰ এতি দিনত কেৱল নাৰীক নাৰী দিৱস পাতি সন্মান প্ৰদৰ্শন কৰিলেই জানো নাৰীৰ প্ৰতি সন্মান জনোৱা হ'ব ? প্ৰতিটো দিন, প্ৰতিটো পলতে যাতে নাৰীয়ে কাৰো পৰা লঞ্চিত নহৈ স-সন্মানেৰে জীয়াই থাকিব পাৰে তাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিব লাগে। কাৰো ওচৰত শিৰণত নপৰি নাৰীয়ে সাহসেৰে থিয় হব লাগিব, নিজৰ ভৰিত নিজে থিয় দিব লাগিব, সকলো মহিলা, ছোৱালীয়ে আত্মৰক্ষাৰ কৌশলবোৰ আয়ত্ব কৰি নিজৰ ৰক্ষা কৰি চলিব পাৰিব লাগিব।
নাৰীৰ মানসিক শান্তি অপৰিসসীম, এখন ঘৰ, এখন সমাজ, পৰিয়ালটিৰ চোৰাচিতা এইবোৰ অতি নিয়াৰিকৈ ক'তো আউল নলগাকৈ কেৱল নাৰীয়েহে কৰিব পাৰে। সন্তান এটিক উচিত শিক্ষা দি অতি কষ্টেৰে ডাঙৰ দীঘল কৰা এগৰাকী নাৰীৰ বাবেহে সম্ভৱপৰ।
মাতৃ গৰাকীয়ে এটি সন্তানৰ জীৱনৰ প্ৰথম শিক্ষয়ত্ৰী। সৰুৰ পৰাই ডাঙৰ দীঘল হোৱা এখন ঘৰ এৰি আন এখন ঘৰলৈ চিৰদিনৰ বাবে গৈ সেই নতুন ঘৰ, নতুন পৰিৱেশত খাপ খুৱাই আটাইবোৰ দায়িত্ব পালন কৰি জীৱন নিৰ্বাহ কৰিব পাৰে কেৱল নাৰীয়েহে।
নাৰী জাতিয়ে কৰিব নোৱাৰা কাম একো নাই। দেশ এখন শাসন কৰাৰ পৰা যুদ্ধক্ষেত্ৰত নিজৰ শক্তি প্ৰয়োগৰে শত্ৰু পক্ষৰ মুখামুখি হোৱাৰ পৰা, পৰ্বতাৰোহনৰ দৰে কঠিন কাম কৰাৰ পৰা, খেলধেমালীৰ জৰিয়তে দেশলৈ সুনাম কঢ়িয়াই অনালৈ সকলো কৰিছে।
নাৰীয়ে সাহস কৰিলে অসাধ্য সাধন কৰিব পাৰে। সমাজৰ বৰ্বৰ পুৰুষবোৰক নাৰী শক্তি একত্ৰিত হৈ চৰম শাস্তি বিহি সৎ পথলৈ ঘূৰাই আনিব পাৰিব। কেৱল পুৰুষকেই নহয়, বিপথে যোৱানাৰীকো কেৱল নাৰীয়েহে সৎ পথলৈ ঘূৰাই আনি সমাজ এখন নিকা কৰিব পাৰিব।
শেষত 'নাৰী দিৱসৰ' শুভকামনা জনাই সকলো নাৰীকে কওঁ-নাৰী তুমি অনন্যা, অতুলনীয় গুণৰ সমাহাৰ তোমাৰ মাজত বিদ্ধমান। তুমি আগুৱাই যোৱা সমাজৰ বাধাবিঘিনি আতৰাই।

# কণমানি পখিলাৰ ৰং

**গায়ত্ৰী দেৱী বৰঠাকুৰ,তেজপুৰ**



ডিচেম্বৰ মাহ আহিলেই আমাৰ কণমানি পখিলা জনী আনন্দত অধীৰ হৈ পৰে। নহ'ব নো কিয়? ডিচেম্বৰ মাহত ক'ম কেইটা কেক্ তাই কাটিবলৈ পাব নে? ডিচেম্বৰৰ পোন্ধৰ তাৰিখে পখিলাৰ জন্মদিন। পচিশ্চ তাৰিখে তাহাঁতি উলাহ-মালহেৰে পালন কৰে

যীশুৰ ওপজা দিনোটো। মাকে সেই দিনাও এটা কেক্ বনায়। দুয়োটা দিনতেই আলহী-অতিথিৰে ভৰি থাকে পখিলাহঁতৰ ঘৰ। তাৰ কেইদিন মান পাছতেই নতুন বছৰৰ আদৰিবলৈ এটা ডাঙৰ কেক্ লৈ খুৱাক তাহাঁতৰ ঘৰলৈ আহে। কিমান যে ভাল লাগে পখিলাৰ। যেন সকলোৰে মৰমতে তাইৰ মনটোও ফুটুকীয়া পখিলাৰ দৰেই ৰঙীন হৈ পৰে। নাচ- গান, চকলেট- কেক্ ...আহ..কি যে ভাল লগা এই সকলোবোৰ। তাতোতকৈ ভাল লগা সকলোৰে মৰম- আদৰ। কণমানি পখিলা সকলোৰে বৰ মৰমৰ। পিছে যোৱা দুবছৰে পখিলাই ধুম্ - ধামকৈ পালন কৰিব পৰা নাই তাইৰ জন্মদিনৰ লগতে যীশুৰ ওপজা দিনটোও। গোটেই পৃথিৱী খন ক'ৰণাৰ আতংকিত কঁপি আছে। কিমান যে সাৱধান হৈ চলি আছে তাহাঁতি। সঘনাই হাত ধুইছে, চেনিটাইজাৰ লগাইছে। আনকি বজাৰৰ পৰা অনা বস্তু- বাহনিবোৰো ধুই নাইবা দুদিনমান অলপ আছুতীয়াকৈ থৈ হে ব্যৱহাৰ কৰে।এনে অৱস্থাত ঘৰলৈ আলহী মতাৰ প্ৰশ্নই নাহে। পখিলা সৰু হ'লেও বুজি পাই পৃথিৱীৰ মানুহৰ এই দুখলগা পৰিস্থিতিৰ কথা। তাইৰ মাজে-মাজে মনটো অলপ বেয়াও লাগে। কিমান চাগে এগৰাহ ভাতৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। ক'ত শিশুয়ে চাগে ভোকতেই টোপনি গৈছে। হঠাতে পখিলাৰ মনত এটা চিন্তা খেলালে। বৰ্তমান পৰিস্থিতি অলপ ভাল যদিও 'অমিক্ৰণ'ৰ বাবেও আকৌ বহু ঠাইত আতঙ্কৰ আৰম্ভ হৈছে। সেয়েহে ঘৰলৈ বহুত মাতি তাইৰ জন্মদিন উৎযাপন কৰাতকৈ তাই চোন তাইৰ জন্মদিন সৰলা পেহীৰ অনাথ আশ্ৰমতেই পাতিব পাৰে। দুপৰীয়া কথাটো তাই আইতাকক ক'লে, "আইতা, এইবাৰ মোৰ জন্মদিন সৰলা পেহীৰ আশ্ৰমত পালন কৰিলে তোমালোকে ভাল পাবানে আইতা।" পখিলাৰ কথা শুনি আইতাক আচৰিত হ'ল। "কণমানি পখিলা জনী তাৰমানে অলপ ডাঙৰ হৈছেন!"- আইতাই মুখত ভাত গৰাহ ভৰাই হাঁহি- হাঁহি ক'লে। "নহ'ম কিয় আইতা, আইতা"- পখিলাই আইতাকৰ কোলাত বহিলেগৈ এইবেলি। মাক- দেউতাক অফিচৰ পৰা অহাৰ পাছত তাই কথাটো দুয়োজনকে ক'লে, "মা- দেউতা, জানা আমি মানে মই আৰু আইতাই মিলি এটা কথা ভাবিছোঁ। তোমালোকৰ অনুমতি পালে এইবাৰ মোৰ জন্মদিনটো সৰলা পেহীৰ আশ্ৰমতে পালন কৰিব খুজিছোঁ। "পখিলাৰ মাক-দেউতাকে তাইৰ মনৰ কথা বুজি পালে। দুয়োজনে দুয়োজনলৈ এবাৰ চাই একেলগেই সন্মতি প্ৰদান কৰিলে। " ঠিক আছে পখিলা। সেইদিনটো আমি তোমাৰ আৰু মাৰ কথা মতেই উৎযাপন কৰিম। "-দেউতাকে এটা হাঁহি মাৰি কোৱা কথা খিনিত পখিলা আনন্দত অধীৰ হৈ পৰিল। তাই একে জাপে গৈ দেউতাকক সাৱটি ধৰিলে গৈ। মাকে পখিলাৰ মূৰত হাত বুলাই ক'লে," আমাৰ কণমানি পখিলাৰ মনটো বৰ ধুনীয়া দেই। সদায় এনেদৰে আনৰ ভাল কথা, উপকাৰৰ কথা ভাবিবা দেই। তেহে যীশুয়ে তোমাক ভাল পাব পখিলা। জানা মানুহক সেৱা- শুশ্ৰুষা কৰা মানেই ভগৱানৰ সেৱা- শুশ্ৰূষা কৰা পখিলা। "মাকৰ কথাত পখিলা আবেগিক হৈ পৰিল। তাই মাথো মাকক সাৱটি ক'লে, " তোমাৰ কথা শুনি মোৰ মাডাৰ টেৰেচাৰ কথালৈ মনত পৰি গৈছে মা। কিতাপত পাইছোঁ নহয় তেওঁ কথা। মই চেষ্টা কৰিম মা। ভাল কামেৰে তোমালোকৰ সন্মান ৰক্ষা কৰিবলৈ।" মাকে পখিলাৰ কথাত মুগ্ধ হৈ তাইক কোলাতেই উঠাই ল'লে। এনেদৰে এদিন-দুদিনকৈ গৈ ডিচেম্বৰৰ পোন্ধৰ তাৰিখ আহি পালে। সেইদিনা পুৱাতেই সকলোয়ে গা- পা ধুই সৰলা পেহীৰ অনাথ আশ্ৰমলৈ যাবলৈ সাজু হ'ল। দেউতাকে সকলো বজাৰ - সমাৰ কৰি আনিলে। সৰলা পেহীলৈ ফোন ...নাৰ ...লাক ...টাও জনাই খোছিলে পখিলাই তেওঁলোকক কথাটো কোৱাৰ দিনাই। মাকে কেক্ৰ লগতে বহু কেইবিধ খাদ্যও তৈয়াৰ কৰিলে, আশ্ৰমৰ শিশু কেইটাৰ বাবে কাপোৰ- কানি অলপো কিনাৰ লগতে পখিলাৰ বাবেও এটা ধুনীয়া ফুটুকীয়া ফ্ৰক্। আইতাকে সকলোৰে বাবে পায়স বনালে। লগতে আশ্ৰমৰ শিশু কেইটাৰ বাবে ওচৰৰ দোকান এখনৰ পৰা অলপ কিতাপ - বহীও কিনি ল'লে। পখিলাৰ কথামতেই।

যথা সময়ত সকলো আশ্ৰমলৈ যাবলৈ সাজু হ'ল। ফুটুকীয়া ফ্ৰকটোৰে পখিলাক সঁচা পখিলা এজনীৰ দৰেই লাগিছিল। সৰলা পেহীৰ আশ্ৰমৰ শিশু সকলো পখিলা হঁতক আদৰিবলৈ সাজু হৈ আছিল। পখিলা হঁত গৈ পোৱা লগে- লগে সকলোৰে তাহাঁতক আদৰ সম্ভাষণ জনালে। অলপ পৰৰ পাছত সকলোৰে লগত পখিলাক চিনাকি কৰি দিলে।সৰলা পেহীয়ে। পখিলাৰ জন্মদিনটো এইবেলি দেওবাৰে পৰাৰ বাবে পেহীও সেইদিনা ঘৰতে আছিলে। আনদিনা পেহী ব্যস্ত। পেহীৰ স্কুল থাকে। তাৰোপৰি আশ্ৰমলৈ অনেক জন আহি থাকে। সকলো দায়িত্ব পেহীৰ। পেহীয়ে অৱশ্যে ইমান ব্যস্ততাৰ মাজতো বৰ নিয়াৰিকৈ আশ্ৰমখন পৰিচালনা কৰিছে। গান- নাচ- পঢ়া- শুনা সকলোতে আশ্ৰমৰ শিশু কেইটি আগৰণুৱা। পেহীয়ে নিজেই গান শিকাই তেওঁলোকক। পখিলাৰ জন্মদিনৰ দিনাও শিশু কেইটিয়ে গান গালে, নাচিলে, কবিতা আবৃত্তি কৰিলে। পখিলাৰ জন্মদিনটো তেওঁলোকে বিশেষ কৰি তুলিলে। তেওঁলোকৰ লগত পখিলায়ো হেঁপাহৰ পাখি মেলি ভৰাই ল'লে মনৰ সুখ। সঁচাই পখিলা বৰ সুখী হ'ল। জন্মদিনটো বিশেষ কৰি তোলাৰ বাবে তাই সৰলা পেহীৰ লগতে সকলোকে ধন্যবাদ জনালে। আবেলি চাৰি মান

(দহ পৃষ্ঠাত চাওক)

# নাৰী তুমি অনন্যা

**ইৰা বৰুৱা,যোৰহাট**




হে' নাৰী তুমি অনন্যা
এই বিশ্ব ব্ৰহ্মাণ্ডৰ বায়ু পানী বতাহ আৰু
ধূলিকণাইও নুবুজে নাৰীৰ মহিমা
নাৰীৰ দ্বাৰা হে সৃষ্টিৰ পূৰ্ণতা ।
নাৰীৰ অপৰূপ দৃষ্টিৰ পলকত জীৱন সঞ্চাৰিত হয়
আকাশৰ মৃত নক্ষত্ৰৰ
নাৰীৰ স্পৰ্শই দিব পাৰে
মানৱাতীত মৰ্যাদা অশান্ত মানৱক ।
নাৰীৰ সামান্য হাঁহিত
প্ৰতিধ্বনিত হয় মধুৰ সুৰৰ ঝংকাৰ
তথাপি কিয়? কিয় বাৰু
ৰামায়ন মহাভাৰতৰ দিনৰ পৰাই নাৰী অৱহেলিতা লাঞ্চিতা
নাৰীৰ ওপৰত অকথ্য নিৰ্যাতন কিয় ?
সীতা কুন্তী দ্ৰৌপদী সাৰি নগ'ল জেৰেঙাৰ সতী জয়মতী
বুৰঞ্জীৰ পাতে পাতে খোদিত হ'ল
যন্ত্ৰনাতীত জীৱনৰ জীয়া কাহিনী ।
গাৰে ভ্ৰূণে এতিয়াও কোনোৰে কান্দিছে
চিকাৰ হৈছে যৌতুক ডাইনী আৰু সন্তান হীনতাৰ বাবে
অমানিশা দূৰ হোৱা নাই সেই অবলা দূৰ্বলা নিঃসহায় নাৰীৰ বাবে ।
হায় বৰ্বৰ মানৱতা'
কলিজাৰ শোনিতে বোল দিয়া
বুৰঞ্জীৰ প্ৰতিখিলা পাত
লুতিয়াই লুতিয়াই জন্মিছে ধিক্কাৰ ।
এইয়া গৰকি আছো আমি
আকাশ বগাবলৈ বান্ধি জখলা
বিজ্ঞানে চমৎকাৰ কৰা একৈশ শতিকা ।
ভুল হ'লে মাৰ্জনা কৰিব।

**(নাৰী দিৱস। সকলো নাৰীলৈ সন্মান জনাই পঠালো মোৰ হৃদয়ৰ বানী।)**

# শিষ্টাচাৰ

**- অঞ্জুমণি শইকীয়া**
**যোৰহাট, মালৌ- আলি (তিনি আলি )**




জৰ্জ ৱাশ্বিংটন যেতিয়া আমেৰিকাৰ প্ৰথম ৰাষ্ট্ৰপতি হৈছিল, সেই সময়ত আমেৰিকাত নিগ্ৰোবিলাকক গৰু - ম'হৰ দৰে বেচা - কিনাৰ নিয়ম আছিল । তেওঁলোকক ভাল চকুৰে চোৱা নাছিল । এদিন বন্ধু এজনৰ লগত ৱাশ্বিংটন ফুৰিবলৈ যাওঁতে বাটতে নিগ্ৰো এজনৰ মুখামুখি হ'ল । সেই দেশৰ নিয়ম মতে নিগ্ৰোজনে কাষতে ৰাষ্ট্ৰপতিক দেখি লগে লগে টুপী খুলি নমস্কাৰ জনালে । ৱাশ্বিংটনেও টুপী খুলি নিগ্ৰোজনক প্ৰতি নমস্কাৰ জনালে । ৰাষ্ট্ৰপতিৰ বন্ধুজনে আচৰিত হৈ ক'লে, "এই গোলামটোক এনেদৰে নমস্কাৰ জনাব লাগে নে ? মই ভালপোৱা নাই।" বন্ধুৰ কথা শুনি ৱাশ্বিংটনে হাঁহি মাৰি ক'লে, "নিগ্ৰোজনে প্ৰকৃততে মোক তেওঁৰ শিষ্টাচাৰ দেখুৱাইছে । আমেৰিকাৰ ৰাষ্ট্ৰপতিজন শিষ্টাচাৰৰ ক্ষেত্ৰত নিগ্ৰোজনতকৈ হীন হোৱাটো আপুনি বিচাৰে নেকি ?"

# কণমানি পখিলাৰ ৰং

বজালৈ পখিলাহঁত আজৰি হ'ল। আহিবৰ পৰত তাইৰ মনটো দুখো লাগিল। কেনেকৈ এৰি থৈ যাব তাই এই নতুন বন্ধু সকলক। তথাপিও আহিবই লাগিব। তাই সকলোকে উদ্দেশ্য কৰি ক'লে, " মই তোমালোকৰ ওচৰলে মা-দেউতাই সময় পালেই আহিম । হ'ব নে?" সকলোৱে পখিলাৰ কথাত হাঁহি মাৰি মূৰ দুপিয়াই তাইলৈ এটা সৰু টোপোলা আগবঢ়াই দিলে। তাই আচৰিত হ'ল। কি থাকিব পাৰে। আৰু তাতে তেওঁলোকেও প্ৰতি উপহাৰ দিব বুলি পখিলাই একবাৰেই ভবাই নাছিল যে।

পখিলাই ধন্যবাদ জনাই টোপোলাটো হাতত ল'লে। তাই আচৰিত হ'ল। এইয়া চোন ফুলৰ পুলি । তাইৰ দুচকু আনন্দতে চলচলীয়া হৈ পৰিল।" ধন্যবাদ কিয় দিব লাগে পখিলা। তোমাৰ নাম পখিলা বাবে আমি তোমাক পুলৰ পুলি উপহাৰ দিছোঁ। তুমি আমাক ইমান মৰম দিছা, ইমান বোৰ বস্তু আনিছা। তাৰ তুলনাত এইয়া তেনেই সাধাৰণ পখিলা।"

"নহয়, নহয়! এইয়া এক অমূল্য উপহাৰ বন্ধু সকল"- দুচকু মোহাৰি- মোহাৰি পখিলাই কথা খিনি ক'লে। আচলতে তোমালোক আমাৰ পৰিৱেশৰো বন্ধু। বাৰু কোৱা চোন, এই পুলি কেইটা তোমালোকক কোনে আনি দিলে? "কোনেও আনি দিয়া নাই পখিলা। অথনি যে তুমি দেখিছিলা সেইখন আমাৰেই ফুলনি পখিলা। আমি সকলোৱে মিলি ফুলনি খনৰ যত্ন লওঁ। আৰু আমাৰ আশ্ৰমলৈ আলহী আহিলে মৰমৰ চিন স্বৰূপে পুলি উপহাৰ দিওঁ।" " তোমালোক সঁচাই বৰ ধুনীয়া। মনেৰেও। নিশ্চয় পেহীয়ে এইবোৰ তোমালোকক আনি দিয়েন ।" " নহয় পখিলা, তোমালোকৰ দৰে যি সকল ব্যক্তি আমাৰ আশ্ৰমলৈ আহে সেই সকলে অনা ফুল- আৰু ফলমূলৰ গুটিৰ পৰাই আমি এই পুলিৰ সৃষ্টি কৰোঁ। পেহীৰ কথামতেই আমি এই কাম কৰোঁ পখিলা। আজি যেনেকৈ চাহ- পানী খোৱা প্লাষ্টিকৰ গিলাছ বোৰ অথনি আমি বুটলি থকা দেখিছিলা তেনেদৰে আন দিনাও আমি লগে- লগেই বুটলি পেলাও। সেইবোৰতেই আমি গুটিবোৰ পচাও । এনে কৰাৰ ফলত আশ্ৰম খনো ধুনীয়া হৈ থাকে আৰু ধুনীয়া হৈ থাকে আমাৰ পৰিবেশো।" পখিলাই ইমান দিনে নভবা কথা এটা আশ্ৰমৰ শিশু সকলৰ পৰা শিকিব পাৰিলে। তাই অতিকে আনন্দিত হ'ল। " কেৱল পাঁচ জুন আৰু জন্মদিনত হে গছপুলি ৰোৱা হয় বুলি মই জানিছিলো। আজি ৰাতিপুৱা মই এজোপা ৰুই আহিছোঁ। কিন্তু আজিৰ পৰা ময়ো তোমালোকৰ দৰে ঘৰলৈ অহা আলহীক পুলি উপহাৰ দিম আৰু সেই পুলি ময়ো নিজে ঘৰতে সৃষ্টি কৰিম।"

"কথাতে কয় নহয় পখিলা। 'মধুৰেণ সমাপয়েৎ'। আমাৰ দিনটোৰ আটাইতকৈ মধুৰ ক্ষণ এইটোয়েই। হ'ব পখিলা। তোমাৰ এই কামত ময়ো সহায় কৰিম। এতিয়া মধুৰ মানে মিঠা মানে মই বনোৱা পায়স খাই সকলোৱে পৰা বিদায় লওঁ আহা। ঘৰলৈ গৈ পুলি পচোৱাৰ কাম আছেই নহয়। "- আইতাকে বনোৱা পায়স খাই-খায়েই পখিলাই সৰলা পেহীৰ লগতে সকলোকে পুনৰ ধন্যবাদ জনাই গাড়ীত বহিলেহি।

ঘৰলৈ আহিয়েই পখিলাই আইতাকৰ লগলাগি উপহাৰ হিচাপে লাভ কৰা পুলি কেইটা ৰোৱাৰ লগতে ফলমূলৰ পুলি পচালে। "আইতা, যীশুৰ জন্মদিনৰ দিনা মই বাৰু পুলি উপহাৰ দিব পাৰিম নে ওচৰ-পাজৰৰ সকলোকে।" "পাৰিবা পখিলা। গজালি মেলিব কিজানি তেতিয়ালৈ। নতুন বছৰৰ দিনাটো পাৰিবা। সকলোকে পুলি উপহাৰ দিব। তেতিয়ালৈ আৰু অলপ ডাঙৰ হ'ব। আমাৰ ভোগালীৰ সময়লৈ আৰু অলপ ডাঙৰ হ'ব গৈ। সেইদিনাও দিব পাৰিবা উপহাৰ।" আইতাকৰ কথাত পখিলা বৰ সুখী হ'ল। "আইতা, তুমি মোৰ মনৰ সকলো কথাই বুজি পোৱা ন আইতা। সেই কাৰণেই তুমি মোৰ বেষ্ট ফ্ৰেন্ড।"- আইতাকক ডিঙিত পিছফালৰ পৰা ওলমি পখিলাই দুটা চুমা দিলে আৰু ক'লে, " আজি আশ্ৰমৰ বন্ধু সকলৰ পৰা এটা নতুন ভাল কথা শিকিলো আইতা। যদি যীশুৰ ওপজা দিন, নতুন বছৰৰ দিনা আৰু ভোগালীত আমাৰ ওচৰ-চুবুৰীয়াক দিওঁ সকলোৱে কিমান ভালপাব ন। আমাৰ মোক দেখি আৰু দুজন মানে হয়তো এই কাম কৰিম। আৰু এনেদৰেই আমাৰ পৰিবেশ সুৰক্ষিত হ'ব ন আইতা!" "অ' পখিলা, তুমি ঠিক কথাই কৈছা। তোমাৰ ভাল কাম বোৰেৰে আমাৰ পৃথিৱী এনেদৰেই শুৱনি আৰু সেউজীয়া কৰি তোলা। জন্মদিনৰ দিনা এয়ে মোৰ তোমালৈ অন্তৰ ভৰা আশীৰ্বাদ।" পখিলাই ৰাতিপুৱাৰ দৰে এতিয়াও আইতাকক ভৰিত ধৰি সেৱা এটা কৰিলে আৰু ক'লে, " আইতা, আজিৰ জন্মদিনটো মোৰ বাবে বিশেষ আৰু আমি মই তোমাক কথা দিলোঁ আইতা। ময়ো গ্ৰেটা থুনবাৰ্গৰ দৰে হ'ম। আমাৰ পৰিবৰ কাৰণে কাম কৰিম। আমাৰ পৃথিৱী খন আকৌ সেউজীয়া কৰি তুলিম।" " পখিলা, তুমি সঁচাই বৰ ধুনীয়া পণ লৈছা। এয়ে হওঁক আমাৰ পখিলাৰ ফুটুকীয়া পাখিৰ ৰঙ। আমি সদায়ে তোমাৰ সাৰথি হৈ আছোঁ পখিলা।" পখিলাৰ মূৰত হাত ফুৰাই সাৰটি লওঁতেই পখিলাৰ মনটো উৰি গৈ পৰিলেগৈ তাইৰ কল্পনাৰ ৰাজ্যত। য'ত অগণন সেউজীয়াৰ মাজত নাচি আছে কণমানি পখিলাই পাখিলাহী পাখি দুখন আনন্দতে মেলি- মেলি ।আৰু য'ত পদ্মশ্ৰী যাদৱ পায়েং ককাই পখিলাক দিছে আছে সাহসী হোৱাৰ, সেউজীয়া হোৱাৰ আশীৰ্বাদ ..।

# নিবনুৱা সমস্যা সমাধান

**জয়ন্ত কলিতা ৰঙিয়া(তুলসীবাৰী)**




জনসংখ্যা বৃদ্ধিৰ লগে লগে সাম্প্ৰতিক কাল চোৱাত নিবনুৱা সমস্যাই অসমত বলপূৰ্বক ভাৱে মূৰ দাঙি ধৰিছে। ইয়াৰ কাৰন বুলি কলে মুলতঃ জনসংখ্য বৃদ্ধি, উপযুক্ত কৰ্ম সংস্থাপনৰ অভাৱৰ দৰে অতি সহজলভ্য কেইটামান উদাহৰণ দাঙি দিয়া হয়। আচলতে আমি ইয়াৰ তথ্য ভিত্তিক বিশ্লেষণ কৰা দৰকাৰ।

নিবনুৱা সমস্যা বুলিলে কৰ্ম - সংস্থাপন নোহোৱা শিক্ষিত লোককহে নিবনুৱা বুলি কোৱা হয়।এই শিক্ষিত লোক সকলে শিক্ষাৰ অন্তত কৰ্ম সংস্থাপনৰ উৎস লাভ নকৰাৰ ফলত নিবনুৱা সমস্যা সৃষ্টি হয়।

আজি এটাৰ পিছত এটা ৰাজনৈতিক দলে অসমত চৰকাৰ গঠন কৰি আহিছে আৰু গৈছে।তেওঁ লোকে সাধাৰন জনতাক উন্নয়নৰ চমক দেখুৱাবলৈ গাঁৱে-ভূঞে, চহৰে- নগৰে, চুকে - কোনে, অলিয়ে-গলিয়ে প্ৰয়োজনতকৈ অধিক শিক্ষা অনুষ্ঠান সমূহ গঢ় দি চমক সৃষ্টি কৰি আহিছে পিছে আনফালে আকৌ অসমৰ বৃহৎ বৃহৎ কৰ্ম সংস্থাপনৰ উৎস যেনেঃ- ৰঙিয়াৰ বৃহৎ বস্ত্ৰ উদ্যোগ, জাগিৰোডৰ বৃহৎ কাগজ উদ্যোগৰ উপৰিও কেইবাখনো চনিকল( চেনি উদ্যোগ) আদি বন্ধ কৰি আহিছে। ইয়াৰ বিপৰীতে কিন্তু নতুনকৈ এনে কোনো ধৰনৰ উদ্যোগ বা কৰ্ম সংস্থাপনৰ উৎস অসমত আজিলৈ চৰকাৰৰ দ্বাৰা গঢ় দিয়া হোৱা নাই। যাৰ ফলশ্ৰুতিত আজি নিবনুৱা সমস্যাই আমাৰ অসমত বলপূৰ্বক ভাৱে মুৰ দাঙি ধৰিছে। গতিকে আজিৰ প্ৰেক্ষাপটত অসমত কৰ্ম সংস্থাপনৰ উৎস অতি কৈ প্ৰয়োজন হৈ পৰিছে।কেৱল শ শ বিদ্যালয় গঢ়ি চমক সৃষ্টি কৰাত ব্যস্ত থাকিলে অসমত শিক্ষাৰ কোনো মূল্য বা উদ্দেশ্য নাথাকিব কেৱল মাত্ৰ অসমৰ ঘৰে ঘৰে এজন এজন গ্ৰেজুৱেট নিবনুৱাহে সৃষ্টি হব।

শেষত এই সমস্যা সমাধানৰ বাবে চৰকাৰে নতুন পৰিকল্পনা আৰু উপযুক্ত কৰ্ম সংস্থাপনৰ ঠাই গঢ়ি তোলা টো অতি দৰকাৰ।

# ফাগুন

**ঋত্বিজ ঠাকুৰ**



বিয়লিৰ পচোৱা বতাহজাকে দি গল
তুমি অহাৰ বতৰা
সম্পূৰ্ণ এটা বছৰৰ পিছত
তুমি আকৌ আহিলা আমাৰ মাজলৈ
তুমি অহাৰ উমান পাই
পথাৰৰ মাজত ল'ৰা বোৰেও খেলিছে
চিলা উৰুৱাৰ খেলখন
ৰঙা - নীলা চিলা বোৰে
সঁচাই, দি গল তুমি অহাৰ বতৰা
গাঁৱৰ বাটবোৰো ধুলিয়ৰি হৈ পৰিছে
তুমি অহাৰ উমান পাই
তুমি যে আমাৰ আপোন
হৃদয়স্পৰ্শা মাহ ফাগুন।

# ENGLISH NEWS SECTION

## Japanese delegates visit Udyog Bhawan, explores investment opportunities and infrastructure development



**Guwahati, RB News:** Kurihara (Toshi) Toshihiko, Chief Representative, Japan Bank for International Cooperation (JBIC); Tsuyoshi Honda, Director, Chief Regional Officer of Kolkata Branch of Mitsui & Co. India Pvt. Ltd. and Dr. Vinayak Kant Mishra, senior economist (JBIC) interacted with officials of Industries and Commerce, AIDC, AIIDC, APDCL, ASTEC and MSME-DI at Udyog Bhawan today. JBIC is a financial institution wholly owned by the Government of Japan. JBIC promotes and invests in the joint ventures of Japanese companies having stakes in overseas business with foreign entities. Mitsui & Co. is a Japanese conglomerate operating in more than 63 countries. The company operates in diverse segments with particular interest in energy, mineral and metal resources, machinery and infrastructure etc. During the interaction, Kurihara (Toshi) Toshihiko stated that JBIC has mobilized USD 7.8 billion for Indian operations for the financial year 2020-21. He deliberated on the Indo-Japan bilateral relationship and the way JBIC has harmonized their lending with the Central Government policies. He elaborated the support to India's climate actions on reducing the carbon footprint and developing renewable energy resources. He also opined that JBIC is interested in giving loans to Indian companies and public private enterprises that have a minimum of 10% equity holding by a Japanese company and JBIC is open to lending to ventures along with other co-financers to entities that purchase Japanese equipment. Tsuyoshi Honda gave a brief presentation on the various sectors the company is operating in, particularly on green energy sector. APDCL officials expressed the hope of exploring opportunities and future collaboration on geothermal power, wind and solar power. Nava Kumar Talukdar, Additional Director, Industries and Commerce along with other officials of Industries and Commerce discussed in detail with the Japanese delegates on the various schemes available to the entrepreneurs of the region. He assured JBIC to extend all necessary help and cooperation to support the entrepreneurs of Assam.

## Governor visits Bhimashankar temple



**Guwahati, RB News:** Assam Governor Prof. Jagdish Mukhi along with the First Lady Prem Mukhi visited and paid obeisance at Bhimashankar here today. He also held a meeting with the members of the Mandir Management Committee in the temple premises. Forest and Environment Minister Parimal Shukla Baidya also accompanied the Governor during his visit.

The Governor during the meeting said, "Situated amidst the lap of nature, the beautiful place has got enormous potential to be developed as a tourist destination." The Governor said he would provide all the necessary support for the temple and the pilgrims. During the visit, the Governor inspected the temple premises and held discussions with Environment and Forest Minister, Parimal Suklabaidya, PCCF Amit Sahay, MLA West Guwahati Constituency Ramendra Narayan Kalita and other concerned officials of the government regarding the beautification and other development aspects of the temple.

Earlier, the Governor had also granted fund from his discretionary grant for the development of Bhimashankar temple and its fringe areas.

Forest and Environment Minister Parimal Shukla Baidya said that the Governor has taken initiatives and opened the door of development to bring the Bhimashankar temple to the world.

Deputy Commissioner, Kamrup (M) Pallav Gopal Jha, members of Bhimashankar Mandir Committee, village headman were present in the meeting.

## Tibetan Uprising Day celebrated




**Guwahati, RB News:** A lecture and interactive session was organised on the occasion of the Tibetan Uprising Day at Pragjyotish College here today by Free Tibet-Voice from Assam in col laboration with the college's Department of Political Science, said a press release. The session began with the welcome address by Dr Manoj Kumar Mahanta, Principal of the college, who also explained the importance of the event in cre ating awareness amongst the student community in general. Dr Jagadindra Ray Choudhury, president of the college gov ern ing body, highlighted the importance and linkage of the Brahmaputra river civilisations in the context of Tibet. Soumyadeep Dutta, conven or of Free Tibet Voice from Assam, gave the keynote lec ture on the topic "Tibetan Free dom Movement'. He explained. the history of Tibet as a country and society and the culture of the Tibetan people. He also gave a lucid account of the aspirations of the Tibetan people as a nation and their struggle against the forceful occupation by China. Nabanita Sharma, co-ordinator of the organisation, also spoke. Na badeep Das, head of the Depart ment of Political Science of the college, offered the vote of thanks.

## EVMs to be used at GMC polls



**Guwahati, RB News:** Electronic Voting Machines (EVMs) will be used in the elections of Guwahati Municipal Corporation (GMC). The Assam State Election Commission by exercising power conferred under Rule 49A of the Guwahati Municipal Corporation Election (Amendment) Rules, 2022, has notified today that the EVMs will be used for election to all wards of the Guwahati Municipal Corporation.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২৮ ফাগুন, ১৪২৭ চন Rongili Barta, Date of Publication-- 13 March, 2022

## Beauty of the Week



Kabyashree Sarmah,Nagaon

## Photography of the Week



Bikas Bordoloi,Jorhat

# শুভ ক্ষণৰ কিছু আধৰুৱা অনুভূতি

পুলিন ডেকা



ৰ'দত তিতি থকা ভাগৰুৱা বতাহজাকে
এইমাত্র জিৰাইছেহি
সিক্ত সুৰভিৰ এখন পথাৰত
তাত কেইটামান শব্দত থমকি ৰৈছে
কাৰোবাৰ হুমুনিয়াহ
এটা নিঠৰুৱা আশা
জ্বলি পুৰি যোৱা ঝাৰণিত ধূসৰিত এখন আকাশ
নিৰৱ জুৰিৰ সোঁতত নাচিছে
সেই একেই উপত্যকাৰ উলংগ বতাহজাকে
শিল উপঙিছে বালিৰ গভীৰতাত
বোৱঁতী কলধ্বনিত
সেই একেই স্থবিৰতা, কি যে অভিমানী সমীৰণ
হে মহানুভৱতা, তোমাৰ আঙুলিৰ স্পৰ্শত
বহু শতাব্দীৰ সাগৰীয়া স্তব্ধতাই
সাৰ পাইছে, বৰফে মেলি লৈছে নিজৰ
জোনাকী ছাঁ
কিমান লুকুৱাই ৰাখিম নিদানিত কণ্ঠৰ সুৰভি
এটা অশৈশৱ সপোন
বুজা-নুবুজা কিছু আৱেগ
আত্মাৰ জোকাৰণি শুনিব পাৰিলে
ক্রমশঃ নিশকতীয়া বতাহজাক
দিব পাৰিলোহেঁতেন
শুভ ক্ষণৰ কিছু আধৰুৱা অনুভূতি।



Prachurjya Kashyap, Samoguri,Nagaon

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286